# চতুৰ্থ অধ্যায়

# মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰৰ মনস্তাত্ত্বিক অধ্যয়ন

# চতুৰ্থ অধ্যায়

# মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰৰ মনস্তাত্ত্বিক অধ্যয়ন

চৰিত্ৰ হৈছে উপন্যাসৰ এটি অন্যতম প্ৰধান অংগ। চৰিত্ৰৰ গতি-বিধি, আচাৰ-আচৰণৰ ওপৰত ভিত্তি কৰি উপন্যাসৰ বিষয়বস্তু তথা কাহিনীয়ে গতি লাভ কৰে। "উপন্যাসৰ চৰিত্ৰ এক কাল্পনিক মানুহ আৰু এই কাল্পনিক মানুহজন গঢ় লৈ উঠে জীৱন সম্পৰ্কে লেখকৰ দৃষ্টিভংগী, আদৰ্শ আৰু বাস্তৱ অভিজ্ঞতাৰ সংমিশ্ৰণৰ ফলস্বৰূপে।"[১] গতিকে উপন্যাসৰ চৰিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ঔপন্যাসিক এগৰাকীয়ে যথেষ্ট পৰিমাণে সতৰ্কতা অৱলম্বন কৰিবলগীয়া হয়। উপন্যাসৰ আৰম্ভণি স্তৰৰপৰা ঊনবিংশ শতাব্দীৰ আৰম্ভণিলৈকে উপন্যাসৰ মুখ্য চৰিত্ৰক নায়ক বা নায়িকা আখ্যা দিয়া হৈছিল। সেই অনুসৰি উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰসমূহত কিছুমান নায়কোচিত বৈশিষ্ট্য আৰোপ কৰা হৈছিল। অৰ্থাৎ এই চৰিত্ৰসমূহ সমাজৰ সকলো লোকৰে আদৰ্শ হৈ পৰিছিল। কোনোধৰণৰ বেয়া লক্ষণ চৰিত্ৰসমূহৰ গাত আৰোপ কৰা হোৱা নাছিল। এই সময়ছোৱাত চৰিত্ৰসমূহক ভাল আৰু বেয়া চৰিত্ৰ হিচাপে বিচাৰ কৰি চোৱা হৈছিল। অসমীয়া সাহিত্যত এইক্ষেত্ৰত দণ্ডিনাথ কলিতাৰ *সাধনা* উপন্যাসখনৰ কথা উনুকিয়াব পাৰোঁ। উপন্যাসখনত দীনবন্ধু নামৰ চৰিত্ৰটো সৎ চৰিত্ৰ হোৱাৰ বিপৰীতে গদাধৰ শৰ্মা এটি অসৎ চৰিত্ৰৰ ৰূপত অৱতীৰ্ণ হৈছে। এই চৰিত্ৰসমূহ বাহ্যিক কথা আৰু কামৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা হৈছিল। ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা চৰিত্ৰ নিৰ্মাণৰ কৌশল সলনি হয়। বাহ্যিক দিশৰ পৰিৱৰ্তে চৰিত্ৰৰ আভ্যন্তৰীণ জগত বা মনৰ ভাৱ-অনুভূতিৰ দিশত গুৰুত্ব প্ৰদান কৰি চৰিত্ৰ নিৰ্মাণ কৰাৰ আৰম্ভণি ঘটে। অন্তৰ্জগতৰ ওপৰত প্ৰাধান্য দি নিৰ্মাণ কৰা চৰিত্ৰৰ ভাল-বেয়া নিৰ্দিষ্টকৈ চিহ্নিত কৰিব নোৱাৰি। এইক্ষেত্ৰত প্ৰফুল্ল দত্ত গোস্বামীৰ *কেঁচা পাতৰ কঁপনি* উপন্যাসখনলৈ মন কৰিলে দেখা যায় যে উপন্যাসখনৰ মূল চৰিত্ৰ উৎপল আদৰ্শ চৰিত্ৰ নহয়। তেওঁৰ কাম-কাজ, আচাৰ-আচৰণত কোনোধৰণৰ নায়কোচিত লক্ষণ ফুটি উঠা নাই। তথাপি তেওঁক উপন্যাসখনত প্ৰধান চৰিত্ৰৰ ৰূপত উপস্থাপন কৰা হৈছে। উৎপলৰ চিন্তা-ভাবনা, কাম-কাজ, আচাৰ-আচৰণেই কোনো এটা সুনিৰ্দিষ্ট ঘটনা অবিহনেও উপন্যাসখনক গতি প্ৰদান কৰিছে। ই. এম. ফৰ্ষ্টাৰে চৰিত্ৰৰ দুটা ভাগৰ কথা কৈছে— চেপেটা (flat) আৰু গোল (round) চৰিত্ৰ। যিবোৰ চৰিত্ৰৰ অন্তৰৰ প্ৰতিক্ৰিয়া আৰু ভাৱ-অনুভূতিৰ উমান পোৱা নাযায়

সেইবোৰ চৰিত্ৰই চেপেটা (flat) চৰিত্ৰ। বাহ্যিক কাৰ্য্যাৱলী আৰু কথা-বতৰাৰ জৰিয়তে এই চৰিত্ৰসমূহক জনা যায়। আনহাতে বাহ্যিক কথা আৰু কামৰ লগতে চৰিত্ৰৰ আভ্যন্তৰীণ অনুভূতি তথা মানসিক কাৰ্য-কলাপৰ জৰিয়তে জানিব পৰা চৰিত্ৰই গোল (round) চৰিত্ৰ। গোল চৰিত্ৰসমূহ বাহ্যিক আৰু আভ্যন্তৰীণ উভয় দিশৰপৰা প্ৰাঞ্জল হৈ উঠা হেতুকে এই চৰিত্ৰসমূহৰ স্বৰূপ সম্পূৰ্ণৰূপত ফুটি উঠে।[২]

আধুনিক উপন্যাসত চৰিত্ৰৰ বাহ্যিক দিশতকৈ আভ্যন্তৰীণ জগতত চলি থকা ঘটনা প্ৰবাহক বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। উপন্যাসৰ মনস্তাত্ত্বিক দিশৰ আলোচনাত চৰিত্ৰৰ অধ্যয়ন গুৰুত্বপূৰ্ণ। কিয়নো মনস্তত্ত্বমূলক উপন্যাসত কাহিনীতকৈ চৰিত্ৰৰ প্ৰাধান্য অধিক। চৰিত্ৰৰ চেতন আৰু অৱচেতন মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওপৰত উপন্যাসৰ কাহিনী নিৰ্ভৰ কৰে। বিভিন্ন পৰিস্থিতিত চৰিত্ৰই গ্ৰহণ কৰা সিদ্ধান্ত, চৰিত্ৰৰ চেতন-অৱচেতন মনৰ দ্বন্দ্ব, অৱদমিত ইচ্ছাকাংক্ষা, মৌলিক প্ৰবৃত্তি, আচাৰ-আচৰণৰ ওপৰত ভিত্তি কৰি একোখন উপন্যাস নিৰ্মাণ কৰা হয়।

ইতিমধ্যে আমি মনস্তাত্ত্বিক প্ৰসংগৰে মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তুৰ আলোচনা কৰিছোঁ। চৰিত্ৰৰ জৰিয়তেই সেই বিষয়বস্তুসমূহ উপন্যাসত প্ৰস্ফুটিত হৈছে। গতিকে আমাৰ গৱেষণা গ্ৰন্থৰ এই অধ্যায়ত উপন্যাসৰ চৰিত্ৰসমূহৰ জৰিয়তে মনস্তাত্ত্বিক প্ৰসংগসমূহ কেনেদৰে কাৰ্যকৃত হৈছে তাৰ আলোচনা আগবঢ়োৱা হ'ব।

### ৪.১ চৰিত্ৰৰ একাকীত্ব ঃ

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ প্ৰায়বোৰ চৰিত্ৰই একাকীত্বত ভুগিছে। বিভিন্ন কাৰণবশতঃ চৰিত্ৰসমূহৰ জীৱনলৈ একাকীত্ব নামি আহিছে। এইক্ষেত্ৰত পৰিয়াল পাৰিপাৰ্শ্বিকতাৰ ভূমিকাই অন্যতম। পৰিয়ালৰ বিভিন্ন সমস্যা, ঘাত-প্ৰতিঘাত, সহাৱস্থানৰ অভাৱ, ব্যক্তিৰ আত্মকেন্দ্ৰিক মনোভাৱ আদিয়ে চৰিত্ৰৰ জীৱনলৈ একাকীত্ব কঢ়িয়াই আনিছে। ফ্ৰয়েডে মানুহৰ মনস্তত্ত্ব গঢ় লোৱাৰ ক্ষেত্ৰত পৰিয়াল প্ৰসংগৰ গুৰুত্ব সম্পৰ্কত যি ধাৰণা আগবঢ়াইছিল সেয়া চৰিত্ৰৰ একাকীত্ব গঢ় লোৱাৰ ক্ষেত্ৰতো প্ৰযোজ্য হৈছে। পৰিয়ালকেন্দ্ৰিক জটিলতাসমূহৰ মাজত সোমাই চৰিত্ৰসমূহ মানসিক যন্ত্ৰণাত ভুগিছে। ব্যক্তিগত জীৱন আদৰ্শ আৰু পৰিয়ালৰ মাজত ভাৰসাম্য ৰাখিব নোৱাৰি চৰিত্ৰসমূহ মানসিকভাৱে ভাগি পৰিছে। এনেদৰেই চৰিত্ৰসমূহৰ জীৱনলৈ একাকীত্ব নামী আহিছে।

*অৰুন্ধতী* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ অনন্যাই পিতৃ-মাতৃৰ কথামতে বৈবাহিক জীৱন আৰম্ভ কৰিছিল। বৈবাহিক জীৱনত স্বামীৰ সৈতে মানসিক সম্পৰ্ক দৃঢ় হৈ নুঠাত ক্ৰমে অনন্যাৰ

জীৱনলৈ একাকীত্ব নামি আহিছিল। স্বামীৰ সৈতে সম্পৰ্কৰ জটিলতা, পিতৃৰ বিয়োগ, সন্তানহীনতা আদি কাৰকে তেওঁৰ জীৱনলৈ হতাশা, যন্ত্ৰণা কঢ়িয়াই আনিছিল। স্বামীক সুখী কৰিবলৈ দ্বিতীয় বিবাহৰ বাবে আগবঢ়াই দি স্বামীক ডিভোৰ্চ দিলে যদিও স্বামীৰ অনুপস্থিতিত সম্পূৰ্ণৰূপেই অকলশৰীয়া হৈ পৰে। স্বামী, পৰিয়াল থকাৰ পিছতো এক নিঃসংগ জীৱন কটাবলগীয়া হৈ অনন্যাই মদ আৰু এলজোলামৰো আশ্ৰয় লয়। ডিৰ্ভোচৰ পিছতো স্বামীৰ সংগ বিচাৰি অনন্যাৰ অন্তৰত হাহাকাৰ সৃষ্টি হৈছে। ইয়াৰ পৰিপেক্ষিততে সৃষ্টি হোৱা চেতন-অৱচেতন মনৰ দ্বন্দ্বই অনন্যাৰ একাকীত্ব বৃদ্ধি কৰিছে। গতিকে দেখা গৈছে যে চৰিত্ৰটোৰ অন্তৰত অপূৰণীয় আকাংক্ষা আছে। অপূৰণীয় আকাংক্ষাসমূহ অৱদমিত ৰূপত অৱচেতনাত ৰৈ গৈছে। সেই গতিকে অনন্যাৰ বাস্তৱিক তথা ব্যৱহাৰিক আচাৰ-আচৰণত তাৰ প্ৰভাৱ পৰিছে। অৱচেতনৰ আশা-আকাংক্ষাই কেনেকৈ চৰিত্ৰৰ বাস্তৱিক চেতনাত প্ৰভাৱ পেলায় সেয়া উপন্যাসখনৰ অনন্যা চৰিত্ৰৰ মাজেৰে প্ৰকাশ ঘটিছে।

*বাঁহী* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ নয়নতৰাই নিজৰ যৌৱনকালৰ সকলো আশা-আকাংক্ষা, কামনা-বাসনাক অৱদমন কৰি পিতৃবয়সৰ মৌজাদাৰৰ লগত বিয়াত বহিছে। পৰিয়ালক সুখী কৰিবলৈ গৈয়ে নিজৰ সকলো ইচ্ছাকাংক্ষাক দমন কৰিছে যদিও বৈবাহিক জীৱনত সুৰুঙা বুজি একাকীত্বই চৰিত্ৰটোক গ্ৰাস কৰিছে। মৌজাদাৰৰ পত্নী হিচাপে পাবলগীয়া সকলোধৰণৰ সুখ-স্বাচ্ছন্দ্য, মান-সন্মান পোৱাৰ পিছতো নয়নতৰা সম্পূৰ্ণৰূপে সুখী হ'ব পৰা নাই। এখন ভৰপূৰ সংসাৰত থাকিও নয়নতৰাই একাকীত্ব অনুভৱ কৰিছে। নিজৰ মানসিক অৱস্থা সম্পৰ্কে নয়নতৰাই কৈছে—"কিয় এনে লাগিছে সকলো পোৱাৰ মাজতো যেন ডাঙৰ শূন্যতা! কিয় এনে লাগিছে যেন জীৱন আৰু সমাজ ব্যৱস্থাৰ দুয়ো বিন্দুৰ মাজত অসহায় হৈ ফুলি ৰোৱা গোন্ধহীন-আদৰহীন তাই সঁচাসঁচি এপাহ নয়নতৰা।"[৩]

*বৰদোৱানী* উপন্যাসত পুণ্যধৰৰ দ্বিতীয় বিবাহৰ পিছত বৰদোৱানী নিঃসংগ হৈ পৰিছিল। এই নিঃসংগতাক বুকুত সামৰি সহজ জীৱন-যাপন কৰি থকাৰ অভিনয় কৰি গ'লেও তেওঁ মানসিকভাৱে সম্পূৰ্ণৰূপে অকলশৰীয়া হৈ পৰিছিল। বংশৰক্ষাৰ বাবে দ্বিতীয় বিবাহ কৰোৱা পুণ্যধৰ আৰু ৰেণুমাইৰ প্ৰথম সন্তান লক্ষ্য জন্ম হোৱাৰ পিছতো তেওঁলোকৰ মাজৰ বৰ্দ্ধিত আত্মীয়তাই বৰদোৱানীৰ নিঃসংগতাৰ যন্ত্ৰণা বৃদ্ধি কৰিছিল। পুণ্যধৰৰ জীৱনত ৰেণুমাইক নিজৰ ঠাইত প্ৰত্যক্ষ কৰি বৰদোৱানী নিৰাশ হৈ পৰিছে আৰু একাকীত্বক আদৰি লৈ অকলশৰে ৰৈ গৈছে। উপন্যাসখনত দ্বিতীয় বিবাহৰ পিছত বৰদোৱানীৰ লগত গঢ়ি উঠা দূৰত্বই পুণ্যধৰৰ

জীৱনলৈও একাকীত্ব কঢ়িয়াই আনিছিল। ৰেণুমাই আৰু সন্তানৰ সৈতে বাহ্যিকভাৱে সুখী দাম্পত্য জীৱন কটালেও বৰদোৱানী অবিহনে পুণ্যধৰে নিঃসংগতা অনুভৱ কৰিছিল। চৰিত্ৰটোৰ কাম-কাজ সকলোতে ইয়াৰ প্ৰভাৱ পৰিছিল। উপন্যাসখনত বৰদোৱানীৰপৰা দূৰত থাকি চৰিত্ৰটোৱে মানসিকভাৱে অকলশৰীয়া হৈ পৰাৰ কথা নিজ মুখেৰেও ব্যক্ত কৰিছে।

বৃদ্ধাৱস্থা এনে এক সময় য'ত ব্যক্তিক মানসিক সাহচৰ্যৰ খুবেই প্ৰয়োজন হৈ পৰে। প্ৰত্যেক ব্যক্তিয়ে জীৱনৰ এই সময়খিনি পুত্ৰ-বোৱাৰী, জী-জোৱাই, নাতি-নাতিনীৰ মৰমৰ আৱেষ্টনীৰ মাজত কটাব বিচাৰে। *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত নিৰ্মলাইও নিজৰ সন্তানৰ আদৰ-যত্নৰ মাজত বৃদ্ধাৱস্থাতো কটাব বিচাৰিছিল যদিও বাস্তৱত সেয়া হৈ উঠা নাছিল। পুত্ৰ-বোৱাৰী, জীয়ৰী সকলোৰেপৰা তেওঁ অনাদৰহে পাইছিল। নিজৰ ঘৰখনতেই তেওঁ ক্ৰমাৎ নিঃসংগ হৈ গৈ আছিল। আনকি বোৱাৰীয়েকে নাতিৰ লগত সময় কটাব বিচৰা আইতাককো নাতিয়েকৰ সংস্পৰ্শলৈ অহাৰ পৰা বঞ্চিত কৰিছিল। সন্তানৰ নিস্পৃহতাৰ সন্মুখত মাতৃৰ মমতা অপমানিত হ'বলগীয়া হোৱাত নিৰ্মলা একাকীত্বত ভুগিছিল। আপোন পৰিয়ালৰ মানুহৰ অৱহেলাৰ বাবে প্ৰকাণ্ড ঘৰটোত সম্পূৰ্ণ অকলশৰীয়া হৈ পৰা নিৰ্মলাৰ জীৱনলৈ একাকীত্ব প্ৰৱেশ ঘটিছিল। উপন্যাসখনত নিৰ্মলাৰ একাকীত্ব সম্পৰ্কত কোৱা হৈছে—“আৰু খৰখৰকৈ সোমাই আহে প্ৰকাণ্ড চৌহদটোৰ মাজলৈ এক বিশেষ ধৰণৰ একাকীত্ব। সোমাই আহি নিৰ্মলাৰ সন্মুখত ৰয়হি। একেবাৰে সন্মুখত। তেওঁ উপায়হীন হৈ পৰে একাকীত্বৰ আঙুলিত ধৰি টহলি ফুৰে গোটেই ঘৰ।”[৪]

*যমুনা* উপন্যাসত অকালতে স্বামী আৰু একমাত্ৰ পুত্ৰক হেৰুৱাই যমুনা নিঃসংগ হৈ পৰিছিল। আপোনজনৰ মৃত্যু আৰু অকাল বৈধব্য জীৱনৰ হাত ধৰি তেওঁৰ জীৱনলৈ একাকীত্বৰ প্ৰৱেশ ঘটিছিল। বিধৱা নাৰীৰ প্ৰতি সমাজৰ বৈষম্যইও ইয়াত অৰিহণা যোগাইছিল। একাকীত্বই গ্ৰাস কৰি অনা যমুনাই ইয়াৰপৰা পৰিত্ৰাণ পাবৰ বাবে মানুহৰ সংগ বিচাৰি হাহাকাৰ কৰি ফুৰিছিল।

*সন্ধ্যা* উপন্যাসত বৈবাহিক জীৱনত সন্ধ্যা একাকীত্বত ভুগিছিল। প্ৰথমতেই তেওঁ দেউতাকৰ কথামতে প্ৰেমিক ইৰফানক ত্যাগ কৰি পাৰ্থৰ সৈতে বিবাহপাশত আবদ্ধ হৈ মনসিক যন্ত্ৰণাত ভুগি আছিল। পূৰ্বৰ প্ৰেমিকৰ স্মৃতি আৰু পাৰ্থৰ উচ্ছৃংখলতাই সন্ধ্যাৰ জীৱনত একাকীত্ব কঢ়িয়াই আনিছিল। মনত থূপ খাই থকা আৱেগ-অনুভুতিবোৰ প্ৰকাশ কৰিবলৈও তেওঁৰ সংগীৰ অভাৱ হৈছিল। আনকি গৰ্ভৱতী অৱস্থাতো সময়ে সময়ে মন আৰু শৰীৰৰ বিভিন্ন পৰিৱৰ্তনৰ কথা প্ৰকাশ কৰিবলৈও তেওঁৰ ওচৰত কোনো নাছিল। এইবোৰে সন্ধ্যাৰ নিঃসংগতা বৃদ্ধি কৰিছিল। পৰৱৰ্তী সময়ত পাৰ্থ আৰু একমাত্ৰ সন্তানৰ মৃত্যুৰ পিছত সন্ধ্যা সম্পূৰ্ণৰূপেই অকলশৰীয়া হৈপৰিছিল।

উপন্যাসখনত পাৰ্থ চৰিত্ৰৰ মানসিকতা তথা আচাৰ-আচৰণত যি ৰূঢ়তা প্ৰত্যক্ষ কৰা হৈছে তাৰ অন্তৰালত চৰিত্ৰটোৱে শৈশৱৰেপৰা কটাই অহা একাকীত্বই ক্ৰিয়া কৰিছে। পিতৃ-মাতৃৰ মাজত হোৱা বিচ্ছেদৰ বাবে সৰুতেই পাৰ্থ মাতৃস্নেহৰপৰা বঞ্চিত হ'বলগীয়া হৈছিল। দেউতাকে তেওঁক কোনো বস্তুৰে অভাৱ অনুভৱ কৰিব নোৱাৰাকৈ ডাঙৰ-দীঘল কৰিছিল যদিও মাকৰ অনুপস্থিতিত পাৰ্থ গভীৰভাৱে একাকীত্বত ভুগিছিল। ইয়াৰ পৰিপেক্ষিততে চৰিত্ৰটো ডাঙৰ হৈ অহাৰ সমান্তৰালভাৱে উচ্ছৃংখল হৈ উঠিছিল। শৈশৱৰেপৰা একাকীত্বৰ জীৱন কটাই অহা পাৰ্থৰ অন্তৰ আৱেগ-অনুভূতিশূন্য হৈ পৰিছিল। উপন্যাসখনত বৈবাহিক জীৱনত সন্ধ্যাই যি একাকীত্ব কঢ়িয়াই ফুৰিছে তাত পাৰ্থৰ শৈশৱৰ একাকীত্বৰ প্ৰভাৱকো নুই কৰিব নোৱাৰি। পাৰ্থই শৈশৱৰেপৰা একাকীত্বৰ জীৱন কটাই অহাৰ বাবেই সন্ধ্যাৰ আৱেগ-অনুভূতিৰ প্ৰতি সম্পূৰ্ণই নিস্পৃহ হৈ ৰৈছিল।

*মই ডেচডিমʼনা হʼব খোজোঁ* উপন্যাসখনত পৰিয়ালকেন্দ্ৰিক জটিলতাই কেন্দ্ৰীয় চৰিত্ৰ নয়নাৰ জীৱনলৈ শৈশৱতে একাকীত্ব কঢ়িয়াই আনিছিল। মাকৰ আত্মহত্যাৰ পিছত দেউতাকে মামীয়েকক বিয়া পতাত ভায়েকৰ সৈতে নয়না অকলশৰীয়া হৈ পৰিছিল। ৰঞ্জয়ৰ সৈতে প্ৰেমৰ সম্পৰ্কত অহাৰ পিছত কিছু স্বাভাৱিক হৈছিল যদিও ৰঞ্জয়ৰ প্ৰতাৰণাই পুনৰ নয়নাৰ জীৱনলৈ হতাশা, নিৰাশা আৰু একাকীত্ব কঢ়িয়াই আনিছিল। কহিনুৰ থিয়েটাৰত যোগদান কৰাৰ পিছতো নয়না মানসিকভাৱে  নিঃসংগ হৈ আছিল।

*অনুৰোধ* উপন্যাসত আইতাকৰ সৈতে শৈশৱৰ দিন অতিক্ৰম কৰিলেও পিতৃ-মাতৃৰ সান্নিধ্যৰ অভাৱত ৰঘুপতি দাস নিঃসংগতাত ভুগিছিল। মাহীমাকৰ বাবে দেউতাকৰ মৰম আদৰৰ পৰাও বঞ্চিত হʼবলগীয়া হোৱাত কেৱল পঢ়া-শুনাৰ মাজতে নিজকে সীমাবদ্ধ কৰি ৰাখিছিল। আইতাকৰ মৃত্যুৰ পিছত ৰঘুপতি দাস সম্পূৰ্ণৰূপে নিঃসংগ হৈছিল। কেৱল যান্ত্ৰিকতাৰে নিজৰ দৈনন্দিন কৰ্তব্য সামৰি জীৱনত আগবাঢ়িছিল। উপন্যাসখনত ৰঘুপতি দাস আৰু ধৰ্মৰঞ্জনৰ পত্নী নীলিৰ মাজত গঢ় লৈ উঠা সম্পৰ্কৰ মূলতে হʼল নীলিৰ একাকীত্ব। ধৰ্মৰঞ্জনে দুয়োটা সন্তানক  ভাল পৰিৱেশত পঢ়িবলৈ পঠিয়াই দিয়াত সন্তানৰ অনুপস্থিতিত নীলিৰ জীৱনত একাকীত্বৰ প্ৰৱেশ ঘটে। এইটো কাৰণতে চৰিত্ৰটোৱে ডিপ্ৰেচনত ভুগি অসুস্থ হৈ পৰিছিল। ৰঘুপতি দাস নিজেও শৈশৱৰেপৰা একাকীত্বত ভুগি থকা বাবে নীলিৰ মানসিক অৱস্থা উপলব্ধি কৰিবলৈ সক্ষম হৈছিল। যি মৰম, আদৰ, যত্নৰ অভাৱত নীলি ডিপ্ৰেচনত ভুগিছিল সেয়া নোহোৱা কৰি নীলিক মানসিকভাৱে সুস্থিৰ কৰি তুলিবলৈ ৰঘুপতি দাস আগবাঢ়ি আহিছিল। ইয়াৰ পৰিপেক্ষিততে দুয়োৰে মাজত প্ৰেমৰ সূত্ৰপাত ঘটে।

*চামিয়ানা* উপন্যাসত কৰ্তব্যৰ খাতিৰত শ্বেতা স্বামীৰপৰা আঁতৰত থাকিবলগীয়া হৈছিল। গৰ্ভৱতী শ্বেতাৰ সন্তানটো যেতিয়া নিষ্ঠুৰ মানুহৰ প্ৰহাৰত গৰ্ভতে নষ্ট হৈছিল তেতিয়া শ্বেতা মানসিকভাৱে ভাগি পৰিছিল। সন্তানৰ হাত ধৰি একাকীত্ব তেওঁৰ জীৱনলৈ আহিছিল। গৰ্ভস্থ সন্তানক হেৰুৱাই শাৰীৰিক আৰু মানসিকভাৱে শ্বেতা বিধ্বস্ত হৈ পৰিছিল। সেই সময়ছোৱাত স্বামী তথা পৰিয়ালৰ অন্য মানুহৰ অনুপস্থিতিত শ্বেতা অকলশৰীয়া হৈ পৰিছিল।

উপন্যাসখনত শ্বেতাৰ স্বামীৰ বন্ধু হংসৰাজে শ্বেতাৰ প্ৰতি যি আচৰণ কৰিছে তাৰ অন্তৰালত চৰিত্ৰটোৰে দীৰ্ঘসময়ৰ পৰা কটাই অহা একাকীত্বই ক্ৰিয়া কৰি আছে। পতি-পত্নীৰ মাজৰ দূৰত্বই হংসৰাজক মানসিকভাৱে নিঃসংগ কৰিছিল। সেয়েহে পত্নীৰপৰা নোপোৱা মৰম, আন্তৰিকতা বিচাৰি চৰিত্ৰটোৰে শ্বেতাৰ কাষ চাপিছিল। বন্ধুপত্নী শ্বেতাক প্ৰথম অৱস্থাত ভনীয়েক হিচাপে গ্ৰহণ কৰা হংসৰাজে পৰৱৰ্তী সময়ত প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল। নিজৰ একাকীত্বৰ বিষয়ে হংসৰাজে শ্বেতাক কৈছে—"ঃ শ্বেতা, কিয় হৈছে এনেকুৱা, তোমাৰ মুখখনেই যে চকুৰ আগত ভাঁহি থাকে? তোমাক এবাৰ চাবলৈ— লগ পাবলৈ, এবাৰ তোমাৰ মাত শুনিবলৈ যে ধৰফৰাই থাকোঁ! ফ্ৰেঙ্কলী ক'বলৈ গ'লে তোমাৰ সৈতে মই এটা সম্পৰ্ক গঢ়িব খোজোঁ, ...জানাইতো পাৰ্ছনেল লাইফত কিমান এল'ন মই...।"[৫]

ঔপন্যাসিকাৰ প্ৰায়কেইখন উপন্যাসতে কেন্দ্ৰীয় তথা পাৰ্শ্ব চৰিত্ৰসমূহ একাকীত্বত ভুগিছে। চৰিত্ৰসমূহৰ অতীত অভিজ্ঞতা তথা পৰিয়াল চক্ৰত লাভ কৰা অভিজ্ঞতাই চৰিত্ৰসমূহৰ বাস্তৱিক আচাৰ-আচৰণৰ ওপৰত গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ প্ৰভাৱ পেলাইছে। এইবোৰে চৰিত্ৰসমূহে বৰ্তমানে কটাই থকা জীৱনতো প্ৰভাৱ বিস্তাৰ কৰিছে। চৰিত্ৰসমূহ মানসিকভাৱে সম্পূৰ্ণই অকলশৰীয়া হৈ পৰা পৰিলক্ষিত হৈছে। আত্মীয়-স্বজনেৰে পৰিপূৰ্ণ হৈ থাকিও প্ৰত্যেকেই যেন নিজৰ জীৱনত নিঃসংগ। বহুসময়ত চৰিত্ৰবোৰে নিজৰ ইচ্ছাকাংক্ষাৰ পৰিপূৰ্তি সাধন কৰিবলৈ সক্ষম হোৱা নাই। যিবোৰ পৰৱৰ্তী সময়ত নিজৰ মাজতেই অৱদমিত হৈ ৰৈ গৈছে। অৱদমিত ইচ্ছাকাংক্ষাসমূহে চৰিত্ৰৰ একাকীত্বৰ অন্যতম কাৰক হৈ উঠিছে। একাকীত্ব জীৱনে উপন্যাসৰ চৰিত্ৰবোৰক ব্যতিব্যস্ত কৰি তুলিছে। যাৰবাবে চৰিত্ৰসমূহে এনে জীৱনৰপৰা উদ্ধাৰ পাবলৈ ব্যক্তিগতভাৱে প্ৰচেষ্টা চলোৱাও দেখা গৈছে। একাকীত্ব জীৱন যন্ত্ৰণাময়। এনে জীৱনে ব্যক্তিক প্ৰতিটো ক্ষণতেই মানসিকভাৱে পীড়িত কৰি ৰাখে। কাৰ্য-কলাপ তথা আচাৰ-আচৰণৰ মাজেৰে ব্যক্তিয়ে অন্তৰ্জগতত কঢ়িয়াই ফুৰা একাকীত্ব জীৱনৰ বহিৰ্প্ৰকাশ ঘটে। উপন্যাসসমূহত পুৰুষ-নাৰী উভয়েই একাকীত্বত ভোগা পৰিলক্ষিত হৈছে। একাকীত্বত ভোগা চৰিত্ৰসমূহৰ আচাৰ-আচৰণ, ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজেৰে ঔপন্যাসিকাই সেয়া পোহৰলৈ আনিছে।

## ৪.২ চৰিত্ৰৰ জৈৱিক তাড়না বনাম নৈতিকতা ঃ

জৈৱিক তাড়না ব্যক্তিৰ এক স্বাভাৱিক প্ৰবৃত্তি। প্ৰত্যেক ব্যক্তিৰ অৱচেতন মনত কামনা-বাসনা, যৌনাকাংক্ষা সুপ্ত অৱস্থাত থাকে। এই সম্পৰ্কে ইতিমধ্যে প্ৰথম অধ্যায়ত বিশ্লেষণ আগবঢ়োৱা হৈছে। ব্যক্তিৰ জৈৱিক তাড়না অৱচেতন মনত সুপ্ত অৱস্থাত থাকে যদিও সময়ে সময়ে ই চেতন অৱস্থালৈ আহে। এইক্ষেত্ৰত আদম (Id), অহং (Ego) আৰু পৰাহং (Super Ego) ৰ ভূমিকা অন্যতম। আদমে ব্যক্তিক যৌন বাসনা চৰিতাৰ্থ কৰি আত্মসন্তুষ্টি লাভৰ বাবে প্ৰৰোচিত কৰে। অহঙে ব্যক্তিক বাস্তৱতাৰ লগত পৰিচয় কৰায় আৰু মনৰ গতিশীলতাক নিয়ন্ত্ৰণ কৰে। পৰাহঙে নৈতিকতাৰ ভিত্তিত ভাল-বেয়া বিচাৰ কৰি ব্যক্তিক শুদ্ধ পথত অগ্ৰসৰ হ'বলৈ আগবঢ়াই দিয়ে। ইয়াতেই নৈতিকতা প্ৰাসংগিক হৈ উঠে। ব্যক্তিয়ে আদমৰ দ্বাৰা প্ৰৰোচিত হৈ বাস্তৱ জ্ঞানশূন্য হৈ পৰিলে যিকোনো প্ৰকাৰে কেৱল জৈৱিক তাড়না চৰিতাৰ্থ কৰাটোৱেই লক্ষ্য হিচাপে গ্ৰহণ কৰে। এই সময়ছোৱাত তেনে ব্যক্তিৰ উচিত-অনুচিত, ভাল-বেয়া বিচাৰ কৰাৰ মানসিকতা নাথাকে। আকৌ ব্যক্তিক যেতিয়া অহং আৰু পৰাহঙে বাস্তৱতাৰ লগত তথা নৈতিকতাৰ লগত পৰিচয় কৰায় তেতিয়া যৌন বাসনা চৰিতাৰ্থ কৰাৰ ক্ষেত্ৰতো ব্যক্তি সচেতন হৈ পৰে।

মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ অধিকসংখ্যকতেই যৌনতা এক প্ৰধান বিষয় হিচাপে উপস্থাপন কৰা হৈছে। চৰিত্ৰসমূহৰ জৈৱিক তাড়নাই কাহিনীৰ অগ্ৰগতিত বিশেষ অৰিহণা আগবঢ়াইছে। জৈৱিক তাড়নাৰ বশৱৰ্তী হৈ বহুসময়ত চৰিত্ৰসমূহে মানসিক দ্বন্দ্বৰ সন্মুখীন হৈছে। *অৰুন্ধতী* উপন্যাসত নিজৰ জৈৱিক তাড়না নিয়ন্ত্ৰণ কৰিব নোৱাৰিয়েই অনন্যাই বিচ্ছেদিত স্বামীৰ সৈতে নিশা কটাই আহিছে। সেই সময়ছোৱাত তেওঁ যৌন ক্ষুধাৰ ওচৰত আত্মসমৰ্পণ কৰিলেও পৰৱৰ্তী সময়ত তেওঁৰ নৈতিক জ্ঞান উদয় হৈছে। নিজৰ অন্তৰত সুপ্ত যৌন ক্ষুধাৰ সম্পৰ্কে সচেতনভাৱে অৱগত হৈ মানসিক দ্বন্দ্বত ভুগিছে। এই সম্পৰ্কত উপন্যাসখনত অনন্যাই কৈছে—"স্বামীৰ স'তে তেনেদৰে নিশা কটাই অহাৰ পিছত নিজকে স্বাৰ্থপৰ বুলি ভাবিব খোজা নাছিলোঁ যদিও মোৰ শৰীৰত শুই থকা এক ৰহস্যময় ক্ষুধাৰ অনুমানত ধিক্কাৰ দি উঠিছিলোঁ নিজকে...।"[৬]

*বৰদোৱানী* উপন্যাসত বৰদোৱানীয়ে পুণ্যধৰৰ দ্বিতীয় বিবাহৰ পিছত নিজকে পুণ্যধৰৰ পৰা আঁতৰাই ৰাখি নিজৰ ব্যক্তিত্বক সবল কৰি ৰাখিছিল যদিও জৈৱিক তাড়নাক নিয়ন্ত্ৰণ কৰিব নোৱাৰি পুণ্যধৰৰ সৈতে যৌন ক্ষুধা চৰিতাৰ্থ কৰিছে। এইক্ষেত্ৰত বৰদোৱানীৰ আত্মনিয়ন্ত্ৰণ নোহোৱা হৈ পৰিছে। পুণ্যধৰৰ পৰা শাৰীৰিক-মানসিকভাৱে নিজকে আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিও

বৰদোৱানীয়ে সম্পূৰ্ণৰূপে সফল হোৱা নাই। নিজৰ অৱদমিত যৌনক্ষুধাৰ ওচৰত বৰদোৱানীয়ে আত্মসমৰ্পণ কৰিছে।

উপন্যাসখনত পুণ্যধৰে পৰিয়ালৰ হেঁচাত বংশৰক্ষাৰ বাবে দ্বিতীয় বিবাহত সন্মতি প্ৰদান কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত দেখা গৈছে যে বংশৰক্ষা হোৱাৰ পিছতো পুণ্যধৰে দ্বিতীয় পত্নীৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰি দ্বিতীয় সন্তানৰো পিতৃ হৈছে। প্ৰথম অৱস্থাত দ্বিতীয় বিবাহ কৰাবলৈকেই মান্তি নোহোৱা আৰু কৰালেও কেৱল বংশৰক্ষাৰ বাবেই মান্তি হোৱা চৰিত্ৰটোৰ এই কাৰ্যই জৈৱিক তাড়নাকেই অগ্ৰাধিকাৰ দিছে। জৈৱিক তাড়নাৰ সন্মুখত চৰিত্ৰটোৰ নীতিগত আদৰ্শ তথা সিদ্ধান্ত সকলোবোৰ নস্যাৎ হৈছে।

*সন্ধ্যা* উপন্যাসত স্বামীৰ মৃত্যুৰ পিছতো সন্ধ্যাই নিজৰ যৌন বাসনা চৰিতাৰ্থ কৰিবলৈ আকাংক্ষা কৰিছে। জৈৱিক তাড়নাৰ বাবে চৰিত্ৰটোৱে নৈতিকতাৰ ওচৰত হাৰ মানিছে। এগৰাকী বিধৱা নাৰী হৈও অন্য পুৰুষৰ সৈতে যৌন বাসনা চৰিতাৰ্থ কৰিব বিচাৰিছে। হস্পিতালত চিকিৎসাধীন অৱস্থাতো সন্ধ্যাৰ মনোজগতত এনেধৰণৰ চিন্তাই থিতাপি লৈছে। উপন্যাসখনত সন্ধ্যাৰ জৈৱিক তাড়না সম্পৰ্কে উল্লেখ কৰা হৈছে এনেদৰে—“বাৰাণ্ডাৰ বেৰতে হেলান দি তাই দূৰৈৰ উজ্জ্বল পোহৰ এটিলৈ চাই ৰ’ল। আহক, সেই পোহৰৰ শলিতা হাতৰ তলুৱাত লৈ কোনো এক ঈশ্বৰপুত্ৰ নামি আহক তাইৰ ফাললৈকে....। বতাহৰ মৃদু হাতেৰে এটা এটাকৈ খুলি পেলাওকহি তেওঁ তাইৰ কামিজৰ আটাইকেইটা বুটাম...। এৰা, আহক কোনোবা ঈশ্বৰপুত্ৰ!”[৭] উপন্যাসখনত এনেদৰে সন্ধ্যাৰ অন্তৰত অৱদমিত যৌনক্ষুধাৰ স্পষ্ট ইংগিত দিয়া হৈছে।

উপন্যাসখনত পাৰ্থ চৰিত্ৰটোৱে নৈতিকতাবিহীন জৈৱিক তাড়না চৰিতাৰ্থ কৰা পৰিলক্ষিত হৈছে। সন্ধ্যাৰ সৈতে বৈবাহিক জীৱন আৰম্ভ কৰাৰ পূৰ্বৰেপৰা পাৰ্থ বহু নাৰীৰ লগত যৌন সম্পৰ্কত লিপ্ত হৈছিল। যাৰবাবে চৰিত্ৰটোৱে এইড্ছত আক্ৰান্ত হৈ কম বয়সতে মৃত্যুক আঁকোৱালী ল’বলগীয়া হয়। নৈতিক জ্ঞানশূন্য হৈ জৈৱিক তাড়নাৰ বাবে কৰা এই আচৰণে পাৰ্থৰ লগতে গোটেই পৰিয়ালটোকেই ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। এইধৰণৰ অনৈতিক কাৰ্যত লিপ্ত হৈও চৰিত্ৰটোৱে যে অকণো হীনমন্যতাত ভোগা নাই সেইকথা সন্ধ্যাৰ সন্মুখত নিজেই কৰা স্বীকাৰোক্তিয়ে প্ৰমাণ কৰে। উপন্যাসৰ আন এটি চৰিত্ৰ সন্ধ্যাৰ বান্ধৱী চাবেৰাও বিবাহ বহিৰ্ভূত যৌন সম্পৰ্কত লিপ্ত হৈছে। স্বামীৰ সৈতে যৌন সম্পৰ্কত অসন্তুষ্ট চাবেৰাই উচিত-অনুচিতৰ বিচাৰ নকৰাকৈ নিজৰ অতৃপ্ত যৌন ক্ষুধা পূৰণ কৰিবলৈকেই দেওৰেকৰ সৈতে যৌন সম্পৰ্ক স্থাপন কৰিছিল।

*মই ডেচডিমʼনা হʼব খোজোঁ* উপন্যাসখনত জৈৱিক তাড়না চৰিতাৰ্থ কৰিবলৈকেই

চৰিত্ৰই নৈতিকতা সম্পূৰ্ণৰূপে পৰিহাৰ কৰা পৰিলক্ষিত হৈছে। এগৰাকী বিবাহিত পুৰুষ তথা দুটি সন্তানৰ পিতৃ হৈও নয়নাৰ দেউতাকে নয়নাৰ মামীয়েকৰ সৈতে অবৈধ যৌন সম্পৰ্কত লিপ্ত হৈছে। যৌনতাৰ সন্মুখত তেওঁৰ নৈতিকতাৰ জ্ঞান সম্পূৰ্ণৰূপে শূন্য হৈ পৰিছে। আনকি তেওঁৰ এই কাৰ্যৰ বাবেই পত্নীয়ে আত্মহত্যা কৰাৰ পিছতো তেওঁৰ নৈতিকতাৰ উদয় হোৱা নাই। পত্নীৰ মৃত্যুৰ পিছত সেই নাৰীগৰাকীক বিয়া পাতি স্বাভাৱিক জীৱন কটাইছে। আনকি সন্তানৰ সন্মুখতো চৰিত্ৰটোৱে শালীনতা বজাই ৰখা নাই। এনেদৰে নয়নাৰ পিতৃয়ে নিজৰ যৌনক্ষুধাৰ বাবেই সন্তানৰ ঘৃণাৰ পাত্ৰ হ'বলগীয়া হৈছিল।

*অনুৰোধ* উপন্যাসত দুটি সন্তানৰ মাক ধৰ্মৰঞ্জনৰ পত্নী নীলি পৰপুৰুষৰ সৈতে যৌন সম্পৰ্কত লিপ্ত হৈছে। স্বামীৰ উপস্থিতিতে নীলি ৰঘুপতি দাসৰ প্ৰতি আকৰ্ষিত হৈ পৰাৰ লগতে ৰঘুপতি দাসৰ লগত শাৰীৰিক সম্পৰ্কও স্থাপন কৰিছে। যিজন ৰঘুপতি দাসে দেহ ব্যৱসায়ী নাৰীৰ লগত যৌন সম্পৰ্ক স্থাপন কৰাৰ সুযোগ পাইও বিনাদ্বিধাই সেয়া ত্যাগ কৰিব পাৰিছিল সেইজন ৰঘুপতি দাসে নীলিক অস্বীকাৰ কৰিব নোৱাৰিলে। নীলিৰ দৰে ৰঘুপতি দাসেও অন্তৰৰ অৱদমিত হৈ থকা যৌনক্ষুধাৰ ওচৰত হাৰ মানিছে। চৰিত্ৰ দুটাই বিবাহ বহিৰ্ভূত যৌন সম্পৰ্ক স্থাপন কৰিলেও কিন্তু সমাজ নৈতিকতাক পাহৰি যোৱা নাই। আৱেগৰ বশৱৰ্তী হৈ সেয়া কৰিলেও সমাজ তথা পৰিয়ালৰ প্ৰতি চৰিত্ৰ দুটা পিছমূহুৰ্ততে দায়িত্বশীল হৈ উঠা পৰিলক্ষিত হৈছে।

*মুক্তি* উপন্যাসত সমাজসেৱাৰ আঁৰ লৈ সমকামী পুৰুষ ৰৌশন শেঠে শংকৰৰ ওপৰত যৌন নিৰ্যাতন চলাইছে। নিজৰ যৌন ক্ষুধা পূৰণ কৰিবলৈকেই সমাজসেৱকৰ ৰূপ লৈ অসহায়, দুখীয়া সন্তানৰ ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দি অমানুষিক অত্যাচাৰ চলাইছে। একেদৰে ভাগৱতীয়ে নৈতিক চেতনাশূন্য হৈ ঘৰত লগুৱা হিচাপে অনা ল'ৰাটোৰ লগত যৌন বাসনা চৰিতাৰ্থ কৰিবলৈ চেষ্টা কৰিছে। এই সম্পৰ্কত উপন্যাসখনত কোৱা হৈছে—"ওপৰমহলালৈ নতুনকৈ অহা ভাগৱতী নামৰ মানুহজনে কাৰ্বি আংলঙৰ পৰা তাক লগুৱা হিচাপে লৈ আহিছে। আজি দুপৰীয়া পাইছেহি সিহঁত আৰু এতিয়া নিশা আঠ বজাত মানুহজনে জোৰ জবৰদস্তিৰে তাৰ পেন্ট খুলি বিছনালৈ চোঁচৰাই নিছে....।"[৮] উপন্যাসখনত ৰৌশন শেঠ আৰু ভাগৱতীয়ে যৌন ক্ষুধাৰ ওচৰত নৈতিকতাক সম্পূৰ্ণৰূপে বিসৰ্জন দিছে। আৰ্তজনৰ উদ্ধাৰকাৰী হিচাপে বাহ্যিক পৰিচয় দি চৰিত্ৰ দুটাই মানুহৰ আঁৰত নিজৰ ক্ষুধা চৰিতাৰ্থ কৰিছে।

*চামিয়ানা* উপন্যাসত জৈৱিক তাড়নাক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নোহোৱা বিবাহিত পুৰুষ পাৰভেজ আৰু হংসৰাজে শ্বেতাৰ সান্নিধ্য বিচাৰিছিল। জৈৱিক তাড়নাৰ সন্মুখত তেওঁলোকৰ

নৈতিকতা নস্যাৎ হৈছে। যাৰবাবে সম্পৰ্কৰ মৰ্যাদা অতিক্ৰম কৰিবলৈও তেওঁলোকে শংকাবোধ কৰা নাই। হংসৰাজ আৰু শ্বেতাৰ স্বামীৰ মাজত গভীৰ বন্ধুত্ব থকাৰ পিছতো হংসৰাজে শ্বেতাৰ ওচৰত প্ৰেম নিবেদন কৰি শ্বেতাৰ সংগ বিচাৰি আহিছে। প্ৰথম অৱস্থাত ভনীয়েক জ্ঞান কৰা শ্বেতাক লোলুপ দৃষ্টিৰে চাবলৈ হংসৰাজে অকণো কুণ্ঠাবোধ কৰা নাই। পাৰভেজেও পত্নী আৰু সন্তানৰ উপস্থিতিতে শ্বেতাৰ সংগ বিচাৰিছে। সমাজত পাৰভেজ আৰু হংসৰাজৰ দৰে নৈতিকতাশূন্য পুৰুষে বিভিন্ন অজুহাতত নাৰীৰ অকলশৰীয়া অৱস্থাৰ সুযোগ গ্ৰহণ কৰিবলৈ বিচৰা পৰিলক্ষিত হয়। এনে মানসিকতাৰ পুৰুষৰ বাবেই সমাজত অনৈতিক কৰ্মকাণ্ড বাঢ়ি গৈ আছে।

এনেদৰেই উপন্যাসৰ চৰিত্ৰসমূহে মুক্তভাৱে নিজৰ যৌন ক্ষুধা স্বীকাৰ কৰাৰ লগতে সেয়া চৰিতাৰ্থ কৰিবলৈয়ো আগবাঢ়িছে। নাৰী-পুৰুষ উভয়েই যৌন তাড়না চৰিতাৰ্থ কৰাৰ ক্ষেত্ৰত নৈতিকতাক গুৰুত্ব প্ৰদান কৰা নাই। যিকোনো প্ৰকাৰে শাৰীৰিক ক্ষুধা পূৰণতহে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। আনকি বিবাহ বহিৰ্ভূত সম্পৰ্ক স্থাপনৰ জৰিয়তেও শাৰীৰিক ক্ষুধা পূৰণ কৰিছে। বিবাহ বহিৰ্ভূত প্ৰেম তথা যৌনতা সম্পৰ্কত ঔপন্যাসিকাই এনেদৰে মন্তব্য আগবঢ়াইছে—

> বিবাহ বহিৰ্ভূত প্ৰেম পূৰ্বতেও আছিল। তেতিয়া হয়তো এইবোৰ বিষয় সমাজৰপৰা লুকাই ৰখা হৈছিল। কিন্তু এতিয়া ই বহু পৰিমাণে মুকলি হ'ল। গতিকে এইটো এটা স্বাভাৱিক প্ৰক্ৰিয়া বুলি মই ভাবোঁ। মই বিশ্বাস কৰোঁ যে প্ৰেম সদায় সুন্দৰ। এইসকল পুৰুষ-নাৰীৰ প্ৰতি মই এইটোৱে বাৰ্তা দিব বিচাৰোঁ যে যদি তোমালোকৰ মাজত প্ৰেম আছে তেন্তে সেইটো সচাঁকৈয়ে সুন্দৰ। যদি প্ৰেম কথা-বাৰ্তাৰ মাজেৰে গৈ শাৰীৰিক সম্পৰ্কও স্থাপন হৈছে সেয়াও পবিত্ৰ। কিন্তু সি ব্যভিচাৰ হ'ব নালাগে।[৯]

ঔপন্যাসিকাই ব্যভিচাৰহীন সম্পৰ্ক স্থাপনত গুৰুত্ব প্ৰদান কৰি উপন্যাসসমূহ ৰচনা কৰিছে। সেয়েহে তেওঁ উপন্যাসত এই বিষয়টো মুক্তভাৱে উপস্থাপন কৰিছে। নৈতিকতাবিহীন যৌন সম্পৰ্কই ব্যক্তি জীৱনৰ লগতে একো-একোটা পৰিয়ালো ধ্বংসৰ গৰাহলৈ ঠেলি দিব পাৰে সেইকথা উপন্যাসসমূহত প্ৰযোজ্য হৈছে। *সন্ধ্যা* আৰু *মই ডেচডিম'না হ'ব খোজোঁ* উপন্যাস দুখনত ক্ৰমে পাৰ্থ আৰু নয়নাৰ দেউতাকৰ নৈতিকতাবিহীন যৌন সম্পৰ্কই তেওঁলোকৰ পৰিয়ালেই ধ্বংস কৰি পেলাইছে। আনহাতে *অনুৰোধ* উপন্যাসৰ ৰঘুপতি দাস, নীলি, *সন্ধ্যা* উপন্যাসৰ চাবেৰা আদি চৰিত্ৰৰ জীৱনত বিবাহ বহিৰ্ভূত সম্পৰ্কই চৰিত্ৰসমূহক জীৱনত আগবাঢ়ি যোৱাৰ প্ৰেৰণা যোগাইছে। পৰম্পৰাগতভাৱে চলি থকা যিবোৰ ৰূঢ়িবদ্ধ সামাজিক নৈতিকতা তথা ব্যক্তিৰ

জৈৱিক বা মনস্তাত্ত্বিক যিবোৰ তাড়না সেই তাড়নাৰ মাজত উপন্যাসসমূহত ঔপন্যাসিকে এটা ভাৰসাম্য আনিবলৈ চেষ্টা কৰিছে। প্ৰয়োজনসাপেক্ষে উপন্যাসসমূহত ঔপন্যাসিকাই সমাজত প্ৰচলিত ৰূঢ়িবদ্ধ ধাৰণাক ভঙা দেখা গৈছে। ঔপন্যাসিকাই চৰিত্ৰসমূহৰ মনক অগ্ৰাধিকাৰ দিয়া বাবে তথা চৰিত্ৰসমূহৰ মনৰ অধ্যয়ন কৰা হেতুকে এয়া কৰিছে। ঔপন্যাসিকাই অকল সামাজিক নৈতিকতাৰ দিশটোক চোৱা নাই। সামাজিক নৈতিকতাৰ ৰূঢ়িবদ্ধতাৰ বিপৰীতে ঔপন্যাসিকাই মানৱীয় চেতনাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। মানুহৰ তাড়না যে শ্বাশ্বত সেয়া ঔপন্যাসিকাই মানি লৈছে। সেয়েহে ঔপন্যাসিকাই নৈতিকতাৰ ক্ষেত্ৰত কিছু উদাৰ দৃষ্টি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। উপন্যাসসমূহত মানুহৰ মনৰ প্ৰবৃত্তিৰ সুন্দৰ অৱলোকন কৰা হৈছে। নৈতিকতা আৰু মানুহৰ মনৰ মাজত এক ভাৰসাম্য আনিবলৈ চেষ্টা কৰাৰ বাবেই তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহক সেই অনুযায়ী নিৰ্মাণ কৰিছে। ইয়াৰ পৰিপেক্ষিততে বিবাহ বহিৰ্ভূত জৈৱিক সম্পৰ্কৰ ইতিবাচক আৰু নেতিবাচক উভয় দিশেই উপন্যাসসমূহত তুলি ধৰা হৈছে।

**৪.৩ চৰিত্ৰত প্ৰতিফলিত মৃত্যুস্পৃহা ঃ**

ফ্ৰয়েডে মানুহৰ দুই ধৰণৰ প্ৰবৃত্তিৰ কথা কৈছে। মৃত্যু প্ৰবৃত্তি হৈছে এনে এক ধৰণৰ প্ৰবৃত্তি। মৃত্যুস্পৃহা তথা মৃত্যু প্ৰবৃত্তি সম্পৰ্কত ইতিমধ্যে প্ৰথম অধ্যায়ত আলোচনা কৰা হৈছে। জীৱনত সন্মুখীন হোৱা বিভিন্ন ধৰণৰ প্ৰতিকূলতাই ব্যক্তিৰ মানসিকতাক আঘাত কৰে। মানসিক জটিলতাসমূহে যেতিয়া ব্যক্তিক ভাৰাক্ৰান্ত কৰি তোলে তেতিয়া অৱচেতন মনত মৃত্যুস্পৃহা জাগি উঠে। বিভিন্ন পৰিৱেশ পাৰিপাৰ্শ্বিকতাত জীৱনৰ আশা-আকাংক্ষা তথা বিচৰা ধৰণে জীৱনৰ বাস্তৱৰ লগত প্ৰত্যাশাৰ সামঞ্জস্য কৰিব নোৱাৰা ব্যক্তিৰ অগোচৰে অৱচেতন মনত এইবোৰ অৱদমিত হৈ ৰৈ যায়। ইয়ে কালক্ৰমত মৃত্যু প্ৰবৃত্তি গঢ়ি তোলে আৰু ব্যক্তিৰ সচেতন চিন্তাধাৰাতো প্ৰৱেশ কৰে।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ চৰিত্ৰসমূহৰ মানসিকতাতো মৃত্যুস্পৃহা জাগি উঠিছে। চৰিত্ৰসমূহে জীৱনত সন্মুখীন হোৱা বিভিন্ন সমস্যা তথা ব্যক্তিগত প্ৰত্যাশাৰ মাজত ভাৰসাম্য ৰাখিব নোৱাৰি নিজকে শেষ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মৃত্যুস্পৃহা প্ৰবলভাৱে জাগি উঠা এনে চৰিত্ৰই হিতাহিত জ্ঞান হেৰুৱাই পেলাইছে। *সন্ধ্যা* উপন্যাসত বৈবাহিক জীৱনত অসন্তুষ্ট সন্ধ্যাই আত্মহত্যাৰ পথ লৈছে। পাৰ্থৰ সৈতে বিয়া হোৱাৰপৰাই মানসিক অশান্তিত ভুগি থকা সন্ধ্যাৰ অন্তৰত অপূৰ্ণ আশা-আকাংক্ষা অৱদমিত হৈ ৰৈছিল। দেউতাকক সুখী কৰিবলৈকেই প্ৰেমিকৰ সৈতে বিচ্ছেদ, পাৰ্থৰ

সৈতে সম্পৰ্কৰ জটিলতা, পাৰ্থৰ উচ্ছৃংখল আচৰণ আদিয়ে পূৰ্বৰেপৰা সন্ধ্যাক অসুখী কৰি ৰাখিছিল। গৰ্ভাৱস্থাত অন্য নাৰীৰ দৰে পাবলগীয়া গুৰুত্বৰ পৰাও বঞ্চিত হৈ ৰোৱা সন্ধ্যা মানসিকভাৱে ভাগি পৰিছিল। সেয়েহে লাহে লাহে নিজকে শেষ কৰি দিয়াৰ আয়োজন চলাইছিল।

*যমুনা* উপন্যাসত স্বামী আৰু একমাত্ৰ পুত্ৰৰ মৃত্যুৰ পিছত যমুনাৰ অন্তৰতো মৃত্যুস্পৃহা জাগি উঠিছে। আকস্মিকভাৱে অকলশৰীয়া হৈ পৰা যমুনাই স্বামী-পুত্ৰৰ মৃত্যুশোক তথা একাকীত্বক সহিব নোৱাৰি মৃত্যু কামনা কৰিছে। সংসাৰৰ সমস্ত দুখ-যন্ত্ৰণাৰপৰা মৃত্যুৰ জৰিয়তে উদ্ধাৰ পাব বিচাৰিছে। আনকি তেওঁ এনে মানসিকতাৰে আত্মহত্যাৰ চেষ্টাও চলাইছিল। উপন্যাসখনত যমুনাই নিজৰ মৃত্যুক এনেদৰে আহ্বান জনাইছে—“হে মৃত্যুদেৱতা, য’তেই আছা, লৰৰি আহা, শেষ কৰি পেলোৱাহি মোৰ এই জীৱন। মৰিব খুজিছোঁ মই,শেষ কৰি পেলোৱা মোক, শেষ কৰি পেলোৱা... !”[১০]

*বাঁহী* উপন্যাসত মৌজাদাৰৰ মৃত্যুৰ পিছত লাভ কৰা মৌজাদাৰৰ জন্মপত্ৰিকাখন নয়নতৰাৰ মানসিক অস্থিৰতাৰ কাৰণ হৈ পৰিছিল। মৌজাদাৰে নিজৰ মৃত্যু সমাগত বুলি আগতীয়াকৈ জনাৰ পিছতো নয়নতৰাক বিয়া পাতি আনি অকাল বৈধব্য জীৱনলৈ আগবঢ়াই দিয়া কথাটোৱে নয়নতৰাৰ যন্ত্ৰণা বৃদ্ধি কৰিছে। কম বয়সীয়া নয়নতৰাই বিয়াৰ এবছৰ নৌহওঁতেই বিধৱা হৈছিল। যাৰ পৰিণতিত হিতাহিত জ্ঞান হেৰুৱাই গৰ্ভৱতী নয়নতৰাই পুখুৰীৰ দ বুকুলৈ আগবাঢ়ি গৈছে। কেৱল নিজৰ সন্তানৰ কথা চিন্তা কৰিয়েই তাইৰ দৰে এগৰাকী কোমল বয়সীয়া নাৰীক বিয়া পাতি অনা মৌজাদাৰৰ প্ৰতাৰণা আৰু বিশ্বাসঘাটকতাৰ বাবে সংসাৰৰ প্ৰতি নয়নতৰাৰ মোহ নোহোৱা হৈ পৰিছে।

ব্যক্তিয়ে কটাই থকা আভ্যন্তৰীণ জীৱন আৰু বাহ্যিক জীৱনৰ মাজত সামঞ্জস্য নাথাকিলে ব্যক্তি মানসিকভাৱে ভাগি পৰে। এনে অৱস্থাত ব্যক্তিয়ে হিতাহিত জ্ঞান হেৰুৱাই পেলায়। চেতন-অৱচেতন মনৰ দ্বন্দ্বত ভাৱাক্ৰান্ত ব্যক্তিয়ে বাস্তৱিক অৱস্থাৰ লগত সামঞ্জস্য ৰাখিব নোৱাৰে। জীৱনত সন্মুখীন হোৱা প্ৰতিকূলতাৰ লগত সহাৱস্থান কৰিব নোৱাৰাৰ ফলত ব্যক্তিৰ অন্তৰত মৃত্যুস্পৃহা জাগি উঠে। উপন্যাসসমূহতো সন্ধ্যা, যমুনা, নয়নতৰা আদি চৰিত্ৰই জীৱনৰ প্ৰতিকূলতাৰ ওচৰত হাৰ মনা পৰিলক্ষিত হৈছে। উপন্যাসৰ চৰিত্ৰসমূহে মৃত্যুৰ জৰিয়তে জীৱনৰ প্ৰতিকূল অৱস্থাৰপৰা মুক্তি বিচাৰিছে।

### ৪.৪ চৰিত্ৰত প্ৰতিফলিত জীৱনস্পৃহা ঃ

জীৱন প্ৰবৃত্তিয়ে ব্যক্তিক জীয়াই থকাৰ প্ৰেৰণা প্ৰদান কৰে। ই জীৱনত গঠনমূলক কাম

কৰিবৰ বাবে উৎসাহিত কৰে। বিভিন্ন সমস্যা, প্ৰতিকূল পৰিস্থিতিৰ লগত মোকাবিলা কৰি নিজৰ প্ৰয়োজনীয়তাখিনি পূৰণ কৰাৰ দিশত জীৱন প্ৰবৃত্তিয়ে ব্যক্তিক আগবঢ়াই দিয়ে। জীৱন প্ৰবৃত্তি হৈছে ব্যক্তিৰ এক সদৰ্থক মানসিক প্ৰবৃত্তি। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত মৃত্যুস্পৃহাৰ লগতে চৰিত্ৰৰ জীৱনস্পৃহাও জাগি উঠা পৰিলক্ষিত হৈছে। জীৱনস্পৃহাই চৰিত্ৰসমূহক জীৱনৰ প্ৰতি উন্মুখ কৰি তুলিছে। জীৱনৰ বিভিন্ন সমস্যা তথা প্ৰতিকূলতাৰ মাজতো চৰিত্ৰসমূহৰ অন্তৰত জীৱন জীয়াৰ তাড়না গঢ়ি উঠিছে। চৰিত্ৰসমূহে জীৱনক ভালপাবলৈ, নতুনকৈ উদযাপন কৰিবলৈ লোৱা দেখা গৈছে।

*অৰুন্ধতী* উপন্যাসত অনন্যাই প্ৰথম স্বামীৰ লগত থকা সময়ছোৱাত তীব্ৰ মানসিক অন্তৰ্দ্বন্দ্বত ভুগি মদ আৰু এলজোলাম সেৱন কৰিছিল। অত্যাধিক মদ আৰু এলজোলামে তেওঁৰ শৰীৰ ৰুগ্ন কৰি পেলাইছিল। শৰীৰ, মনৰ ভাৰাক্ৰান্ত অৱস্থাত তেওঁ ৰেইকীৰ বিষয়ে শুনি বিষয়টোৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। ক্ৰমাৎ ধ্বংসৰ মুখলৈ গতি কৰা জীৱনটো পুনৰ এবাৰ সুস্থ কৰি তোলাৰ তীব্ৰ বাসনা জাগি উঠিছিল। হেৰুওৱা মনোবল, জীৱনৰ প্ৰতি অনীহা, অৰুচি সকলোবোৰৰ ঠাইত জীৱন জীয়াৰ বাবে অনন্যা সাজু হৈছিল। এটা সময়ত জীৱনটো নিজ হাতে ধ্বংস কৰিবলৈ চেষ্টা কৰা অনন্যাৰ অন্তৰত জীৱন স্পৃহা জাগি উঠিছিল। জীৱনটোক নতুনকৈ সজাই ল'বৰ বাবে চৰিত্ৰটোৱে নিজৰ লগতে অহৰহ যুদ্ধ কৰিবলগীয়া হৈছিল। জীৱনৰ প্ৰতি আকৰ্ষিত হৈ পৰাৰ বাবেই লেখা-মেলাৰপৰা আঁতৰি থকা চৰিত্ৰটোৱে বহুদিনৰ বিৰতিৰ পিছত লেখা-মেলা কৰিবলৈ লোৱাৰ লগতে মানুহৰ লগত মুকলিকৈ কথা পাতিছিল। তাৰোপৰি চৰিত্ৰটোৱে দ্বিতীয় বিবাহৰ জৰিয়তে জীৱনটো নতুনকৈ সজাই তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। জীৱনৰ প্ৰতি তীব্ৰ আকৰ্ষণ গঢ়ি উঠা অনন্যাই উপন্যাসখনত কৈছে—

> অতীতৰ দৰে, নতুনকৈ আৰম্ভ কৰা জীৱনটোত স্থাৱৰৰ ঐশ্বৰ্যময়তা নাছিল। কিন্তু সপোন আৰু কল্পকাহিনীৰ বিলাসিতাৰেই মই জীৱনটো উদ্‌যাপন কৰিবলৈ শিকিছিলোঁ। নিবিড়তা, সান্নিধ্যৰ মধুৰতা আদি শব্দবোৰ যে কিমান অৰ্থৱহ সেয়া মই যেন আগতে নাজানিছিলোঁৰেই। পূৰ্বতে স্বামীৰ পৰা পোৱা শাৰীৰিক আৰু মানসিক পীড়ন মই পাহৰি পেলাইছিলোঁ। বিশ্বাস কৰিবলৈ বাধ্য হৈছিলোঁ যে এটা জীৱনৰ আয়ুস যদি ভাৰতীয়সকলৰ গড় হিচাবত যাঠিও হয়; তেন্তে ত্ৰিশৰ ডেওনা পাৰ হোৱাৰ পিছতো নতুনকৈ আৰম্ভ কৰিব পৰা যায় অন্য এক জীৱন।[১১]

*সন্ধ্যা* উপন্যাসত প্ৰথম অৱস্থাত বৈবাহিক জীৱনত স্বামীৰ সৈতে সুসম্পৰ্ক গঢ়ি নুঠাত

তথা স্বামীৰপৰা বিচৰাধৰণে গুৰুত্ব নোপোৱাত গৰ্ভৱতী সন্ধ্যাই মানসিকভাৱে ভাগি পৰি আত্মহত্যাৰ প্ৰচেষ্টা চলাইছিল। কিন্তু পৰৱৰ্তী সময়ত সন্ধ্যাৰ অন্তৰত জীৱন জীয়াৰ বাসনা তীব্ৰ হৈ উঠিছিল। স্বামী আৰু সন্তানৰ মৃত্যুৰ পিছতো সন্ধ্যাই জীৱন জীয়াৰ বাবে নিজকে প্ৰস্তুত কৰি লৈছিল। শৰীৰত এইড্ছৰ বীজাণু কঢ়িয়াই ফুৰা সন্ধ্যাই মৃত্যুৰ মাজতো জীৱনৰ সন্ধান কৰিছিল। পৰৱৰ্তী সময়ত পূৰ্বৰ প্ৰেমিক ইৰফানে সন্ধ্যাক আদৰি লোৱাত ইৰফানৰ প্ৰেম আৰু সাহচৰ্যত সন্ধ্যা পুনৰবাৰ জীৱনমুখী হৈ ৰৈছিল।

*যমুনা* উপন্যাসত স্বামী, পুত্ৰক হেৰুৱাই প্ৰতিটো মূহুৰ্ততে নিজৰো মৃত্যু কামনা কৰি থকা যমুনাই পৰৱৰ্তী সময়ত জীয়াই থকাৰ প্ৰেৰণা লাভ কৰিছে। যমুনাৰ অন্তৰত জীয়াই থকাৰ বাসনা জাগ্ৰত হৈছিল। সকলো হেৰুৱাই সৰ্বস্বান্ত হৈ পৰা যমুনাৰ জীৱনলৈ ৰঞ্জিত আৰু মালাৰ নৱজাতক সন্তানটি জীৱন জীয়াৰ কাৰণ হৈ আহিছে। নিজৰ মৃত পুত্ৰ এই সন্তানটিৰ মাজেৰে পুনৰ তেওঁৰ ওচৰলৈ উভতি অহাৰ কল্পনা কৰি মধ্যবয়সীয়া যমুনা প্ৰাণৱন্ত হৈ উঠিছে। নতুন উৎসাহ আৰু উদ্যমেৰে কেঁচুৱাটিক আদৰিবলৈ সাজু হোৱা যমুনাৰ জীয়াই থকাৰ বাসনা প্ৰকাশ ঘটিছে আচাৰ-আচৰণৰ মাজেদি। উপন্যাসখনত কোৱা হৈছে—“ আলমাৰী খুলি তাই পুৰণি পুৰণি চাদৰ দুখনমান বাহিৰ কৰিছে। কাম কৰা বাইজনীক ধুবলৈ দিছে। এই চাদৰেৰেই যমুনাই কাইলৈ কেঁচুৱাটো কোলাত নহয় বুকুত তুলি ল’ব। জী থাকিব যমুনা নতুন ধৰণে, সবস্বান্ত হোৱাৰ পিছতো...।”[১২]

*বাঁহী* উপন্যাসত মৌজাদাৰৰ বিশ্বাসঘাটকতাৰ বাবে কিছুক্ষণৰ বাবে নয়নতৰাই মানসিকভাৱে দুৰ্বল হৈ জীৱনৰ প্ৰতি নিস্পৃহ হৈ পৰিছিল যদিও পৰৱৰ্তী সময়ত চেতনা ঘূৰাই পাইছিল। নয়নতৰাই নিজৰ গৰ্ভত থকা সন্তানটোৰ লগতে ওচৰে-পাজৰে থকা আপোন মানুহখিনিৰ বাবে জীয়াই থকাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। নিজৰ গৰ্ভৰ সন্তানটিৰ লগতে মৌজাদাৰৰ অনাথ শিশু দুটিৰ মাক হৈ জীৱনটো কটাই নিয়াৰ বাবে আগবাঢ়িছিল। মৌজাদাৰৰ লগত জড়িত স্মৃতি একাষৰীয়াকৈ থৈ নতুন ধৰণে জীয়াই থকাৰ বাসনা অন্তৰত লৈ নয়নতৰা আগবাঢ়িছিল এক নতুন জীৱনলৈ। নয়নতৰাৰ এই যাত্ৰাৰ সংগী সৰুবাপুই বজোৱা বাঁহীটো। সৰুবাপুৰ বাঁহীৰ সুৰে নিঃসংগ নয়নতৰাৰ মানসিক সংগী হৈ নতুন জীৱনলৈ আদৰি লৈ গৈছিল।

*অনুৰোধ* উপন্যাসত নীলিৰ প্ৰেমে ৰঘুপতি দাসৰ অন্তৰত জীৱনস্পৃহা জগাই তুলিছে। নিঃসংগতা আৰু একাকীত্বৰ মাজেদি ৰঘুপতি দাসৰ জীৱনলৈ যি নৈৰাশ্যতাৰ আগমন ঘটিছিল সেয়া সম্পূৰ্ণৰূপে নোহোৱা হৈছিল। চল্লিশ বছৰ বয়সলৈকে বিয়াৰ নাম নোলোৱা ৰঘুপতি দাসে

নীলিৰ কথামতে বিয়াত বহাৰ সিদ্ধান্ত লৈছিল। পৰস্ত্ৰী হ'লেও নীলিৰ প্ৰেম আৰু সাহচৰ্যত ৰঘুপতি দাস জীৱনমুখী হৈ উঠিছিল। জীৱনক ভালপাবলৈ, উপভোগ কৰিবলৈ শিকি লৈছিল। কৰ্মব্যস্ততা আৰু সন্ধিয়া মদৰ নিচাত ডুবি থকা ৰঘুপতি দাসৰ চৰিত্ৰটোৱে এনেদৰে নৈৰাশ্যতাৰ পৰা মুকলি হৈ এটি সুন্দৰ বৈবাহিক জীৱনক আদৰিবলৈ সাজু হৈছে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত নিজৰ ঘৰখনতেই অৱহেলাৰ পাত্ৰ হৈ পৰাৰ পিছতো নিৰ্মলাই নিজকে জীয়াই ৰখাৰ সংকল্প গ্ৰহণ কৰিছে। ঘৰুৱা অশান্তিৰ বাবে জীৱনৰ প্ৰতি নিস্পৃহ হৈ পৰিছিল যদিও পৰৱৰ্তী সময়ত নিজৰ জীৱনটোৰ প্ৰতি নিৰ্মলাৰ মোহ উপজিছে। পিতৃ-মাতৃ প্ৰদত্ত জীৱনটো এনেদৰে ধ্বংস কৰি পেলোৱাৰ পক্ষপাতী তেওঁ নহয়। সেয়েহে তেওঁ নিজকে ভালদৰে জীয়াই ৰখাৰ লগতে নিজৰ যত্ন লোৱাৰ সিদ্ধান্ত লৈছে। ঘৰুৱা অশান্তিবোৰৰ পৰা আঁতৰি নিজ ইচ্ছাৰে বৃদ্ধাশ্ৰমলৈ গৈছে। গোটেই জীৱন স্বামী-সন্তানৰ কথামতে চলা নিৰ্মলাই জীৱনৰ শেষ সময়ছোৱা নিজে বিচৰাধৰণে যাপন কৰিছে।

*বৰদোৱানী* উপন্যাসত জীৱনৰ প্ৰতি মোহ নোহোৱা হৈ পৰা বৰদোৱানীয়ে পুণ্যধৰ আৰু ৰেণুমাইৰ সন্তান লক্ষ্যৰ আগমনত নতুনকৈ জী উঠিছে। বন্ধ্যাত্বই বৰদোৱানীৰ জীৱনলৈ যি নিস্পৃহতা কঢ়িয়াই আনিছিল সেয়া লক্ষ্যৰ আগমনত উপশম ঘটিছিল। নিজৰ গৰ্ভস্থ সন্তানৰ দৰে লক্ষ্যক বুকুত সামৰি লৈ বৰদোৱানীয়ে জীৱনৰ বাকীছোৱা সময় পাৰ কৰিছিল। লক্ষ্যৰ বাবেই বৰদোৱানীৰ অন্তৰত জীয়াই থকাৰ প্ৰবল বাসনা জাগি উঠিছিল।

এইদৰে আলোচনা কৰিলে দেখা যায় যে উপন্যাসৰ চৰিত্ৰসমূহ জীৱনৰ প্ৰতিকূলতাত মানসিকভাৱে ভাগি পৰিছে যদিও পুনৰ তেওঁলোকৰ অন্তৰত জীৱন স্পৃহা জাগি উঠিছে। জীৱনমুখী হৈ উঠা চৰিত্ৰসমূহে মানসিক সন্তুষ্টিৰ পথ নিজেই নিৰ্মাণ কৰি লোৱা পৰিলক্ষিত হৈছে। *অৰুন্ধতী* আৰু *সন্ধ্যা* উপন্যাসত প্ৰথম বিবাহত অসুখী অনন্যা আৰু সন্ধ্যাই দ্বিতীয় বিবাহৰ যোগেদি সুখী হৈ পৰিছে। *যমুনা* আৰু *বৰদোৱানী* উপন্যাসত যমুনা আৰু বৰদোৱানীয়ে আনৰ সন্তানক আদৰি নতুনকৈ জীৱনটো আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। *অনুৰোধ* উপন্যাসত নীলি আৰু ৰঘুপতি দাসে পৰস্পৰৰ প্ৰেমৰ মাজেৰে জীৱনমুখী হৈ উঠিছে। *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত জীৱনৰ প্ৰতি মোহ ওপজাৰ বাবেই নিৰ্মলাই ঘৰুৱা অশান্তিৰপৰা আঁতৰি মধ্য বয়সত বৃদ্ধাশ্ৰমলৈ ওলাই গৈছিল। *বাঁহী* উপন্যাসত মৌজাদাৰৰ মৃত্যুৰ পিছত নিজৰ গৰ্ভত থিতাপি লোৱা সন্তানটোৰ লগতে মৌজাদাৰৰ সন্তান দুটিক লৈয়ে জীৱনটোক আগবঢ়াই লৈ যাবলৈ নয়নতৰা দৃঢ় প্ৰতিজ্ঞ হৈ উঠিছে।

**৪.৫ চৰিত্ৰৰ অস্বাভাৱিক আচৰণ ঃ**

ফ্ৰয়েডীয় মনস্তাত্ত্বিক তত্ত্বমতে মানুহৰ অৱচেতন মনৰ দ্বাৰা আচাৰ-আচৰণ পৰিচালিত হয়। ইতিপূৰ্বে প্ৰথম অধ্যায়ত এই সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। মানুহৰ অৱচেতন স্তৰত যিবোৰ আশা-আকাংক্ষা অৱদমিত হৈ ৰৈ যায় সেইবোৰ সময়ে সময়ে আচাৰ-আচৰণৰ জৰিয়তে বহিৰ্প্ৰকাশ ঘটে। আচাৰ-আচৰণ লক্ষ্য কৰি ব্যক্তিৰ মানসিক জটিলতা চিনাক্ত কৰিব পৰা যায়। অৰ্থাৎ মানসিক জগতত চলি থকা বিভিন্ন উত্থান-পতনৰ ওপৰত ভিত্তি কৰি ব্যক্তিৰ আচৰণ গঢ় লৈ উঠে। সেয়েহে মনোবিজ্ঞানীসকলে মানসিক ৰোগীৰ আচাৰ-আচৰণ প্ৰত্যক্ষ কৰিয়েই ৰোগৰ কাৰণ আৰু চিকিৎসা পদ্ধতি নিৰ্ণয় কৰে। চৰিত্ৰৰ বেলিকা দেখা যায় যে যিবোৰ চৰিত্ৰই মানসিক জটিলতাত ভুগি থাকে সেইবোৰ চৰিত্ৰৰ আচৰণত অস্বাভাৱিকতা পৰিলক্ষিত হয়। এনেধৰণৰ চৰিত্ৰৰ আচৰণ প্ৰত্যক্ষ কৰি তেওঁলোকৰ মানসিক দ্বন্দ্বৰ উমান পোৱা যায়। "ব্যক্তিৰ জীৱনশৈলী আৰু বাস্তৱ জগতৰ মাজত সংঘৰ্ষ হোৱাৰ ফলত অস্বাভাৱিক আচৰণৰ সৃষ্টি হয়। এনে অৱস্থাত ব্যক্তিয়ে অন্য মানুহৰ লগত সহযোগীতা স্থাপন কৰিব নোৱাৰে। এইবোৰ স্নায়ুৰিক বা মানসিক উত্তেজনা আৰু মানসিক ৰোগত প্ৰকাশ পায়।"[১৩]

আধুনিক সময়ৰ সাহিত্যত বাহ্যিক ঘটনাপ্ৰবাহৰ বিপৰীতে চৰিত্ৰৰ আভ্যন্তৰীণ জীৱনৰ ওপৰত গুৰুত্ব দিয়া হয়। আধুনিক যুগৰ সাহিত্যিকসকলে চৰিত্ৰৰ অন্তৰ্জগতখন চোৱাৰ প্ৰয়াস কৰে। সেয়েহে এনে সাহিত্যত চৰিত্ৰৰ আভ্যন্তৰীণ জগতৰ দিশসমূহ উন্মোচন হয়। সাহিত্যত চৰিত্ৰৰ অস্বাভাৱিক আচৰণৰ প্ৰসংগটোও এনেদৰেই আহিছে। আধুনিকতাবাদী উপন্যাসৰ আৰম্ভণিৰ কালছোৱাত বহু ঔপন্যাসিকৰ উপন্যাসত এনেদৰে চৰিত্ৰৰ অস্বাভাৱিক আচৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এইক্ষেত্ৰত ভাৰ্জিনিয়া উলফৰ *মিচেচ্ ডালৱে* নামৰ উপন্যাসখন বিশেষভাৱে উল্লেখযোগ্য। আধুনিকতাবাদী উপন্যাসখনত উপকাহিনী হিচাপে যুদ্ধগৰকা সৈনিক চেপ্‌টিমাছ্‌ৰ কাহিনীৰ অৱতাৰণা কৰা হৈছে। ব্যক্তিবাহ্যিকভাৱে ইয়াত যুদ্ধৰ কথা অৱতাৰণা কৰা হৈছে যদিও যুদ্ধই চেপ্‌টিমাছ্‌ৰ মানসিক জগতত পেলোৱা প্ৰভাৱ তথা তাৰ পৰিপেক্ষিতত গঢ় লৈ উঠা চৰিত্ৰটোৰ মনস্তত্ত্বৰ উন্মেষণহে মূল বিষয় হোৱা পৰিলক্ষিত হৈছে। যুদ্ধই ব্যক্তি মনত পেলোৱা প্ৰভাৱৰ ফলশ্ৰুতিতে চেপ্‌টিমাছ মানসিক বিকাৰগ্ৰস্ত হৈ পৰিছে। চৰিত্ৰটোৰ আচৰণত অস্বাভাৱিকতা পৰিলক্ষিত হৈছে।

অসমীয়া সাহিত্যতো চৰিত্ৰৰ অস্বাভাৱিক আচৰণক লৈ বহুতো গল্প-উপন্যাস ৰচনা কৰা হৈছে। স্নেহ দেৱীৰ 'সূচনা' চুটিগল্পটোৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰিলে কেন্দ্ৰীয় চৰিত্ৰ সূচনাৰ আচৰণত

অস্বাভাৱিকতা দেখা যায়। সূচনাই কোনো বাহ্যিক কাৰণ নোহোৱাকৈ ৰুমাক চৰ মৰাক কেন্দ্ৰ কৰিয়েই গল্পটোৰ কাহিনীভাগ গঢ় লৈ উঠিছে। সূচনাই অতৃপ্ত যৌন বাসনাৰ বাবেই ৰুমাক আকস্মিকভাৱে চৰ মাৰি অস্বাভাৱিক আচৰণ প্ৰদৰ্শন কৰিছে। বাহ্যিকভাৱে ৰুমাক চৰ মাৰিব লগাকৈ কোনো কাৰণ নাই যদিও সূচনাৰ আভ্যন্তৰীণ জগতত চলি থকা প্ৰতিক্ৰিয়াৰে ই বহিৰ্প্ৰকাশ। ৰুমা যৌৱনা নাৰী হোৱা বাবে সুব্ৰতৰ আকৰ্ষণৰ কাৰণ। আনহাতে সূচনাই যৌৱনকাল অতিক্ৰম কৰি প্ৰৌঢ় অৱস্থাত উপনীত হৈছে। ৰুমাৰ বাবেই সুব্ৰত আৰু সূচনাৰ বাস্তৱ পৃথিৱীত দূৰত্ব বৃদ্ধি পোৱা বাবে সূচনাই ৰুমাক প্ৰতিবন্ধক হিচাপে গ্ৰহণ কৰিছে। সেয়েহে সূচনাই ৰুমাৰ যৌৱনকাল সহ্য কৰিব নোৱাৰি ৰুমাক চৰ মাৰি মানসিক সন্তুষ্টি লাভ কৰা দেখা গৈছে। ইয়াৰ উপৰিও কুমাৰ কিশোৰৰ *এমুঠি তৰাৰ জিলমিল* উপন্যাসত মানসিক ব্যাধিগ্ৰস্ত ৰোগী কেইজনমানৰ মানসিক অৱস্থা তথা আচৰণ, পদ্ম বৰকটকীৰ *দুষ্মন্তৰ চুমা* উপন্যাসত ৰুগ্ন মানসিকতা, নিৰোদ চৌধুৰীৰ *বনহংস* উপন্যাসত এগৰাকী নাৰীৰ মনোগ্ৰস্ততা আৰু ইয়ে দাম্পত্য জীৱন তথা সন্তানৰ ওপৰত পেলোৱা প্ৰভাৱ উপস্থাপন কৰা হৈছে। এনেদৰে চৰিত্ৰৰ অস্বাভাৱিক আচৰণক লৈ অসমীয়া সাহিত্যত বহুতো গল্প-উপন্যাসৰ সৃষ্টি হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰসমূহৰ আচৰণতো অস্বাভাৱিকতা পৰিলক্ষিত হৈছে। উপন্যাসৰ চৰিত্ৰসমূহ বিভিন্ন ধৰণৰ মানসিক জটিলতাত ভুগিছে আৰু ইয়াৰ বহিৰ্প্ৰকাশ ঘটিছে তেওঁলোকৰ কাম-কাজ, আচাৰ-আচৰণৰ মাধ্যমেৰে। *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনত স্বামীৰ পিছতে পুত্ৰ-বোৱাৰী, জীয়ৰী সকলোৰেপৰা পোৱা অৱহেলাই নিৰ্মলাক ভিতৰি ভিতৰি ক্ষুণ্ণ কৰি তুলিছিল। স্বামীৰ পৰা নোপোৱা মৰম, যত্ন, আদৰ সন্তানৰপৰা পাবলৈ কৰা আশাবোৰো ইয়াৰ লগতে অৱদমিত হৈ ৰৈছিল। পুত্ৰ-বোৱাৰীৰ আচৰণত নিজৰ ঘৰখনতে অস্তিত্বৰ সংকটত ভোগা নিৰ্মলাই নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিবলৈ উঠিপৰি লাগিছিল। যাৰবাবে বোৱাৰীয়েকে কৰা অত্যাচাৰৰ প্ৰত্যুত্তৰ দিবলৈ মধ্যবয়সীয়া নিৰ্মলা প্ৰস্তুত হৈছিল। নিজৰ স্বভাৱৰ বিপৰীতে গৈ তেওঁ বোৱাৰীয়েকক শাৰীৰিকভাৱে অপদস্থ কৰিছিল। এই সম্পৰ্কত উপন্যাসখনত কোৱা হৈছে এনেদৰে—"…. ঠেলা মাৰি দিলে বোৱাৰীয়েকক।… সৌ-সিদিনা যোৰহাটৰ উপনয়ন এখন খাবলৈ যাওঁতে দেখি পচন্দ কৰা, সৌ-সিদিনা কলৰ গুৰিত গৃহলক্ষ্মী হিচাপে আদৰি অনা বোৱাৰীয়েকক। জাহ্নৱী এতিয়া বোৱাৰী নহয়, একপ্ৰকাৰ বিপক্ষৰ মানুহ। যাক ওফৰাই নিজক সুৰক্ষিত কৰা যায়….।"[১৪] নিৰ্মলাই এদিনৰ পাৰিবাৰিক কন্দলৰ বাবে বোৱাৰীয়েকৰ ওপৰত হাত উঠোৱা নাই। প্ৰতিদিনে হোৱা ঘৰুৱা অশান্তি, নিজৰ অস্তিত্বৰ প্ৰতি শংকা ইত্যাদিবোৰে নিৰ্মলাৰ মানসিক জগতত

অহৰহ ক্ৰিয়া কৰি আহিছিল। সেয়েহে ঘটনাটো সংঘটিত হ'বৰ দিনাখন তেওঁৰ আচৰণৰ মাজেৰে ইয়াৰ উদ্‌গীৰণ ঘটিছিল। চৌপাশৰ প্ৰতিকূলতাক ওফৰাই নিজক সুৰক্ষিত কৰি ৰখাৰ বাসনাৰে মধ্যবয়সীয়া নিৰ্মলাই এই কাৰ্য কৰিছে।

*মুক্তি* উপন্যাসত জন্মৰ পিছতেই মৃত্যু হোৱা সন্তানটিৰ অস্তিত্বই স্মৃতিৰ মন-মগজুত অহৰহ ক্ৰিয়া কৰি থাকে। আন দিনবোৰত সকলো সামৰি-সুতৰি স্বাভাৱিক জীৱন কটালেও শিশুটিৰ মৃত্যু তাৰিখটোত স্মৃতি অস্বাভাৱিক হৈ পৰে। সন্তানৰ মৃত্যুত বিষাদগ্ৰস্ত হৈ পৰা স্মৃতিৰ জীৱনলৈ সেই দিনটো প্ৰতি বছৰে ভয়াবহ হৈ পৰে। নিজৰ মন-মগজুৰ ওপৰত ভাৰসাম্য ৰাখিব নোৱাৰি স্মৃতিয়ে হাতত ড্ৰিংকছ তুলি লয়। মদৰ নিচাত মাতাল হৈ তেওঁ সন্তানৰ মৃত্যু তাৰিখটো অস্বাভাৱিকভাৱে কটায়। দৈনন্দিন ব্যস্ততাবোৰে সন্তানৰ মৃত্যু শোকৰ পৰা স্মৃতিক আঁতৰাই ৰাখে যদিও সন্তানটিৰ মৃত্যু দিৱসত স্মৃতিৰ মাতৃ হৃদয়ে নিয়ন্ত্ৰণ হেৰুৱাই পেলায়।

উপন্যাসখনত শংকৰৰ আচৰণতো অস্বাভাৱিকতা প্ৰকাশ পাইছে। ইয়াৰ অন্তৰালত মনস্তাত্ত্বিক কাৰক কিছুমানে ক্ৰিয়া কৰিছে। বুজন হোৱাৰেপৰা শংকৰে মাক আৰু তাৰ লগত হোৱা অন্যায় প্ৰত্যক্ষ কৰি আহিছিল। সেয়েহে ৰৌশন শেঠৰ কামনাৰ বলি হোৱাত শংকৰ প্ৰতিশোধ ল'বৰ বাবে সাজু হৈ উঠিছিল। ৰৌশন শেঠক হত্যা কৰি নিজৰ লগত হৈ থকা অন্যায়ৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। মানুহ হত্যা কৰাটো এক অস্বাভাৱিক আচৰণ। ৰৌশন শেঠক হত্যা কৰাৰ লগতে স্মৃতি ভট্টাচাৰ্যকো শাৰীৰিকভাৱে প্ৰহাৰ কৰিবলৈ উদ্যত হোৱা শংকৰৰ যি অস্বাভাৱিক আচৰণ তাৰ আঁৰত শংকৰে শৈশৱৰেপৰা ভুক্তভোগী হৈ অহা অন্যায়সমূহে অগ্ৰণী ভূমিকা পালন কৰিছে। পিতৃয়ে অন্য নাৰীক গ্ৰহণ কৰাত মাকে উপায়ন্তৰ হৈ বেশ্যাবৃত্তি গ্ৰহণ কৰিবলগীয়া হোৱা অৱস্থাৰ প্ৰত্যক্ষদৰ্শী আছিল শংকৰ। তেনেস্থলত শংকৰক পোহপাল দিয়াৰ প্ৰতিশ্ৰুতি দি মাকৰ ওচৰৰ পৰা লৈ আহি ৰৌশন শেঠে নিজৰ কামুকতা চৰিতাৰ্থ কৰিছিল। শৈশৱৰে পৰা লাভ কৰি অহা এনে তিক্ত অভিজ্ঞতাসমূহে এই কাৰ্য কৰাৰ বাবে শংকৰক প্ৰৰোচিত কৰিছে।

*মুক্তি* উপন্যাসখনত উপকাহিনী হিচাপে উপস্থাপন কৰা অহল্যাৰ পুত্ৰ শিলেশ্বৰ মানসিক বিকাৰগ্ৰস্ত ৰোগী। শিলেশ্বৰৰ আচাৰ-আচৰণৰ অস্বাভাৱিকতাৰ বাবে তেজপুৰৰ মানসিক চিকিৎসালয়ত চিকিৎসা কৰাৰ কথা উপন্যাসখনত কোৱা হৈছে। ডাক্তৰেও চিকিৎসাৰে ভাল কৰিব নোৱাৰা শিলেশ্বৰৰ মানসিক অৱস্থা তথা অস্বাভাৱিক আচৰণ সম্পৰ্কত মাক অহল্যাই এনেদৰে কৈছে—"ঃ পকীবেৰত আফালিয়াই মাথা গুড়া কৰি দিছে অ'.....। মাথাটো তাৰ....... বৰ সুন্দৰ মাথা তাৰ.... জন্ম দিওঁতে যি কষ্ট হৈছিল মোৰ.... বহুত ডাঙৰ মাথা তাৰ.... যেয়ে দেখে চবেই

কয়— মস্ত চ'খা হ'বই পঢ়াত.... সেই ল'ৰা মোৰ পাগলা হৈ গেল...... বেৰাত আফালি নিজৰ মাথাকে গুড়া কৰি মৰে এতিয়া।"[১৫] অহল্যাৰ পুত্ৰ শিলেশ্বৰৰ বাহ্যিক জীৱনশৈলী আৰু বাস্তৱ জগতৰ মাজত সংঘৰ্ষ হোৱাৰ ফলত চৰিত্ৰটোৱে কৰা আচৰণত অস্বাভাৱিকতাৰ সৃষ্টি হৈছে। এনে অৱস্থাত চৰিত্ৰটোৱে অন্য মানুহৰ লগত সহযোগীতা স্থাপন কৰিবলৈ সক্ষম হোৱা নাই। এইবোৰেই ক্ৰমাৎ মানসিক ৰোগত পৰিণত হৈছে।

*অৰুন্ধতী* উপন্যাসত অনন্যাই নিজ ইচ্ছামতে প্ৰথম স্বামীক ডিভোৰ্চ দিছে যদিও চৰিত্ৰটোৰ আচৰণত অস্বাভাৱিকতা পৰিলক্ষিত হৈছে। ডিৰ্ভোচৰ পিছতো তেওঁ নিজৰ মন-মানসিকতাক নিয়ন্ত্ৰণ কৰিব পৰা নাই। স্বামীৰ সংগ বিচাৰি তেওঁ মানসিক যন্ত্ৰণাত ভুগিছে। স্বামীৰ নিস্পৃহতাই তেওঁৰ অন্তৰত আঘাত হানিছে। বাহ্যিক দৃষ্টিত তেওঁ স্বামীৰপৰা আঁতৰি আহিলেও মনৰ পৰা তেওঁক আঁতৰাব পৰা নাই। সেয়েহে স্বামীক বিচাৰি সঘনাই স্বামীৰ ওচৰলৈ ধাপলি মেলিছে। বিচ্ছেদৰ পিছতো স্বামীৰ সৈতে নৈশ যাপন কৰিছে। আনকি স্বামীৰ সৈতে বিচ্ছেদৰ যন্ত্ৰণা সহিব নোৱাৰি মদ আৰু এলজোলামৰ আশ্ৰয় লৈছে। নিজৰ বন্ধ্যাত্বৰ বাবে মানসিক যন্ত্ৰণাত ভুগি থকা অনন্যাই স্বামীৰ দ্বিতীয় পত্নীৰ সন্তান জন্মৰ খবৰ পাই হস্পিতাললৈ ৰাওনা হৈছে। হিতাহিত জ্ঞান হেৰুৱাই সন্তানটিক কোলাত তুলি লৈ উপৰ্যুপৰি মৰম কৰিছে। অনন্যাৰ এই সমগ্ৰ আচৰণত অস্বাভাৱিকতা পৰিলক্ষিত হৈছে। তেওঁ নিজৰ জীৱনত ঘটি থকা ঘটনাপ্ৰবাহৰ সৈতে ভাৰসাম্য ৰাখিব পৰা নাই। তেওঁৰ অশান্ত মনৰ প্ৰভাৱ পৰিছে কাৰ্য-কলাপত। উপন্যাসখনৰ ঠায়ে ঠায়ে অনন্যাৰ আচৰণত এনেধৰণৰ অস্বাভাৱিকতা প্ৰকাশ পাইছে। কুমাৰ চাহাবৰ প্ৰেমৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি অনন্যাই পৰৱৰ্তী সময়ত নিজৰ পছন্দমতে হৃদয়ৰ লগত দ্বিতীয় বিবাহপাশত আবদ্ধ হৈছিল। হৃদয়ৰ সৈতে সুখী বৈবাহিক জীৱন কটাই থকা অনন্যা কুমাৰ চাহাবৰ মৃত্যুত পুনৰ অস্বাভাৱিক হৈ পৰিছে। অনন্যাৰ আচাৰ-আচৰণে এনেদৰে চৰিত্ৰটোৰ জটিল মানসিকতাক নিৰ্দেশ কৰিছে।

*সন্ধ্যা* উপন্যাসত মানসিক যন্ত্ৰণা সহ্য কৰিব নোৱাৰি সন্ধ্যাই আত্মহত্যাৰ প্ৰচেষ্টা চলাইছে। জীৱনৰ প্ৰতি বিৰাগ ওপজা সন্ধ্যাই নিজৰ লগতে গৰ্ভস্থ সন্তানৰ কথা চিন্তা নকৰি আত্মহত্যা কৰিবলৈ শ্লিপিং টেবলেট সেৱন কৰিছিল। এগৰাকী গৰ্ভৱতী নাৰীৰ এনেধৰণৰ কাৰ্যই চৰিত্ৰটো যে তীব্ৰ মানসিক জটিলতাত ভুগিছে সেয়া প্ৰমাণ কৰিছে। মানসিক অন্তৰ্দ্বন্দ্বত ভুগি চৰিত্ৰটোৱে হিতাহিত জ্ঞান হেৰুৱাই পেলাইছে। আনে নজনাকৈ শহুৰেকৰ টেবুলৰ পৰা শ্লিপিং টেবলেট গোটাই সেৱন কৰি আত্মহত্যা কৰিবলৈ চেষ্টা কৰা সন্ধ্যাৰ এই আচৰণে অস্বাভাৱিকতাকেই নিৰ্দেশ কৰিছে।

উপন্যাসখনত পাৰ্থৰ বহু নাৰীৰ সৈতে শাৰীৰিক সম্পৰ্ক স্থাপন, অত্যাধিক মদ্যপান, সন্ধ্যাৰ লগত কৰা আচৰণ আদিৰ মাজত অস্বাভাৱিকতা প্ৰকাশ পাইছে। প্ৰকৃততে চৰিত্ৰটোৱে যি মানসিক জটিলতাৰ মাজত জীৱন কটাই আছিল তাৰ বহিৰ্প্ৰকাশ ঘটিছিল আচৰণৰ মাজেদি। গৰ্ভৱতী পত্নীক কৰা প্ৰহাৰ, দেউতাকৰ মৃত্যুত ঘৰলৈ অহা মাকক কৰা অপমান, মাকৰ ওচৰৰপৰা গৰ্ভৱতী পত্নীক চোঁচোৰাই চোঁচৰাই ভিতৰলৈ অনা আদি কাৰ্যই পাৰ্থ চৰিত্ৰটোৰ অস্বাভাৱিক মানসিক অৱস্থাক নিৰ্দেশ কৰিছে।

*অনুৰোধ* উপন্যাসত ৰঘুপতি দাসে শৈশৱৰেপৰা নাৰীৰ প্ৰতি বিৰাগ ভাৱ পোষণ কৰি আহিছিল। কিন্তু নীলিক লগ পোৱাৰ পিছত তেওঁৰ আচাৰ-আচৰণত সম্পূৰ্ণ পৰিৱৰ্তন আহিছিল। অবিবাহিত ৰঘুপতি দাসে স্বেচ্ছাই তেওঁৰ ওচৰত দেহ অৰ্পণ কৰা কমনীয় গাভৰু নাৰীৰ আহ্বান অনায়াসে নেওচি আহিব পাৰিছিল। সেইজন ৰঘুপতি দাসে এগৰাকী বিবাহিতা নাৰীৰ প্ৰেমত পৰি শাৰীৰিক সম্পৰ্ক স্থাপন কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। নীলিৰ প্ৰেমে তেওঁক এনেদৰে আলোড়িত কৰি ৰাখিছিল যে তেওঁৰ স্বভাৱসুলভ আচৰণৰ সলনি ঘটি তাত অস্বাভাৱিকতাই স্থান পাইছিল। এই সম্পৰ্কত উপন্যাসখনত কোৱা হৈছে—" হয়, আজিৰ অবিবাহিত ৰঘুপতি দাসৰ ভিতৰত পৰস্ত্ৰীৰ প্ৰতি জাগি উঠিছে অকল্পনীয় প্ৰেম। যিজন ৰঘুপতি দাসে নেওচা দিব পাৰে বকুল ফুলৰ মালা পিন্ধা গাভৰুৰ আমন্ত্ৰণো...।" [১৬] প্ৰেমৰ বাবেই ৰঘুপতি দাসে নিজৰ স্বাভাৱিক স্বভাৱসুলভ আচৰণ ত্যাগ কৰি নীলিৰ ওচৰত আত্মসমৰ্পণ কৰিছিল।

*বৰদোৱানী* উপন্যাসতপুণ্যধৰৰ দ্বিতীয় বিবাহৰ পিছত বৰদোৱানীয়ে পুণ্যধৰৰপৰা নিজকে শাৰীৰিকভাৱে আঁতৰাই ৰাখিছে। পুণ্যধৰে বিচৰা স্বত্বেও পুণ্যধৰৰ কাষ নচপা বৰদোৱানীয়ে নিজৰ দৈহিক কামনা-বাসনাক নিয়ন্ত্ৰণ কৰিব নোৱাৰি পুণ্যধৰৰ লগত নিজে উপযাচি গৈ শাৰীৰিক সম্ভোগত লিপ্ত হৈছে। এই কাৰ্যই চৰিত্ৰটোৰ অস্বাভাৱিক আচৰণৰ প্ৰকাশ কৰিছে। কিয়নো স্বভাৱসুলভভাৱে নিজৰ ব্যক্তিত্ব আৰু অস্তিত্বৰ প্ৰতি সদা সতৰ্ক বৰদোৱানীয়ে জৈৱিক তাড়নাৰ ওচৰত আত্মনিয়ন্ত্ৰণ হেৰুৱাই এই ধৰণৰ অস্বাভাৱিক আচৰণ কৰিছে। পুণ্যধৰ আৰু ৰেণুমাইৰ প্ৰথম সন্তান লক্ষ্যৰ জন্মৰ বাতৰি পাই বৰদোৱানীয়ে যি আচৰণ কৰিছে তাতো অস্বাভাৱিকতা প্ৰকাশ পাইছে।

*বাঁহী* উপন্যাসত নয়নতৰাই পুখুৰীলৈ দলিয়াই পেলোৱা জন্মপত্ৰিকাৰ নুৰাটো সৰুবাপুৰ বাঁহীৰ ৰূপত চেতনাত প্ৰকাশ পাইছে। নিজ হাতে দলিয়াই পেলোৱা কাগজৰ নুৰাটো বাঁহীৰ ৰূপত কল্পনা কৰি সেইটো উদ্ধাৰৰ বাবে নয়নতৰা উদ্বাউল হৈ উঠিছে। নয়নতৰাৰ নিঃসংগতাৰ

সংগী বাঁহীটো একেবাৰে হেৰাই যোৱাৰ আশংকাত তেওঁ সেইটো উদ্ধাৰৰ বাবে পুখুৰীৰ পানীত নামি পৰিছে। কাগজৰ নুৰা এটাক বাঁহী হিচাপে ধাৰণা কৰি সেইটো উদ্ধাৰৰ বাবে গৰ্ভৱতী নয়নতৰাই পুখুৰীৰ পানীত নামি পৰা কাৰ্যই চৰিত্ৰটোৰ অস্বাভাৱিক আচৰণক নিৰ্দেশ কৰিছে। প্ৰকৃততে নয়নতৰাৰ জীৱনত ঘটি যোৱা ঘটনা প্ৰবাহে তেওঁৰ মনস্তত্ত্বক গভীৰভাৱে প্ৰভাৱিত কৰিছে। যাৰবাবে তেওঁৰ চেতনাত বাস্তৱ আৰু কল্পনা একাকাৰ হৈ পৰিছে।

*যমুনা* উপন্যাসতো যমুনাৰ আচৰণত বাস্তৱ আৰু কল্পনাৰ প্ৰভেদ নোহোৱা হৈ পৰিছে। স্বামী-পুত্ৰক হেৰুৱাই একাকীত্বত জীৱন কটোৱা যমুনাৰ মনস্তত্ত্বত সময়ে সময়ে বাস্তৱ আৰু কল্পনা একাকাৰ হৈ পৰে। অন্তৰত সকলো সময়তে স্বামী-পুত্ৰৰ অৱস্থিতি ধাৰণ কৰি থকা যমুনাই বাস্তৱ জ্ঞানশূন্য হৈ ভ্ৰম ৰাজ্যত বিচৰণ কৰে। তেওঁ স্বৰ্গগত স্বামী-পুত্ৰৰ কায়িক উপস্থিতি অনুভৱ কৰি হাহাকাৰ কৰি উঠে। স্বামীৰ সান্নিধ্য বিচাৰি হিতাহিত জ্ঞান হেৰুৱাই পেলোৱা যমুনাই নিজৰ শৰীৰৰ ওপৰতো নিৰ্মম অত্যাচাৰ চলাইছিল। যমুনাৰ অস্বাভাৱিক আচৰণ সম্পৰ্কত উপন্যাসখনত কোৱা হৈছে এনেদৰে—" শান্তনুৱেই হয়। আচাৰ খাই পৰি আছে মজিয়াত। গাড়ী এখনে এইমাত্ৰই খুন্দিয়াই থৈ গৈছে মূৰত, সৌৱা সংজ্ঞা হেৰুৱাই পৰি আছে তাইৰ মানুহটো। উধাতু খাই কামিজলৈ হাত মেলি ঢাপলি মেলিলে যমুনাই। হয়, সেইখন মজিয়াৰে ওপৰেৰে, য'ত তৰাৰ দৰে সিঁচৰতি হৈ পৰি আছিল এআকাশ ভগ্ন কাঁচ।"[১৭] মৃত শান্তনুৰ কামিজটোকে শান্তনু বুলি ভাবি যমুনাই উধাতু খাই দৌৰিছে মজিয়াত পৰি থকা কাঁচৰ ওপৰেৰে। একে সময়তে স্বামী আৰু পুত্ৰক হেৰুওৱা চৰিত্ৰটোৱে মানসিক সন্তোলন হেৰুৱাই পেলাইছে। স্বামী আৰু সন্তানৰ মৃত্যু তেওঁ অন্তৰেৰে গ্ৰহণ কৰিব পৰা নাই। সেয়েহে স্বামী আৰু সন্তানৰ প্ৰসংগত চৰিত্ৰটোৱে এনেধৰণৰ অস্বাভাৱিক আচৰণ কিছুমান কৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহ লক্ষ্য কৰিলে দেখা যায় যে *মুক্তি* উপন্যাসৰ শিলেশ্বৰৰ বাহিৰে আন কোনো ঠাইত অস্বাভাৱিক মনস্তত্ত্ব তথা মানসিক বিকাৰগ্ৰস্ত চৰিত্ৰৰ উপস্থাপন কৰা হোৱা নাই। চৰিত্ৰসমূহে বহুসময়ত এক সুস্থ স্বাভাৱিক জীৱনেই যাপন কৰিছে। কিন্তু কোনো কোনো বিশেষ পৰিস্থিতি তথা ঘটনা প্ৰক্ৰিয়াত চৰিত্ৰসমূহে অস্বাভাৱিক আচৰণ প্ৰকট কৰা পৰিলক্ষিত হৈছে। *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত নিৰ্মলা, *মুক্তি* উপন্যাসত স্মৃতি ভট্টাচাৰ্য আৰু শংকৰ, *অৰুন্ধতী* উপন্যাসত অৰুন্ধতী, *সন্ধ্যা* উপন্যাসত সন্ধ্যা, *অনুৰোধ* উপন্যাসত ৰঘুপতি দাস, *বৰদোৱানী* উপন্যাসত বৰদোৱানী, *বাঁহী* উপন্যাসত নয়নতৰা, *যমুনা* উপন্যাসত যমুনা চৰিত্ৰৰ যি অস্বাভাৱিক আচৰণ পৰিলক্ষিত হৈছে সেয়া বিশেষ কিছুমান পৰিস্থিতি সাপেক্ষেহে হৈছে। ইয়াৰে কোনো এটা

চৰিত্ৰই মানসিক বিকাৰগ্ৰস্ত চৰিত্ৰ নহয়। দৰাচলতে চৰিত্ৰসমূহৰ প্ৰত্যেকেই ব্যক্তিগত জীৱনত কিছুমান মানসিক জটিলতাৰ সন্মুখীন হৈ থকা প্ৰত্যক্ষ কৰা গৈছে। সেইহেতুকে সময় আৰু পৰিস্থিতি সাপেক্ষে তেওঁলোকৰ অন্তৰৰ অৱদমিত ইচ্ছাকাংক্ষাসমূহৰ আচৰণৰ জৰিয়তে বহিৰ্প্ৰকাশ ঘটিছে। সাধাৰণতে চৰিত্ৰসমূহৰ যি ব্যক্তিত্ব তাৰ বিপৰীত হোৱা পৰিলক্ষিত হৈছে চৰিত্ৰই প্ৰদৰ্শন কৰা আচৰণবোৰ। সেয়েহে চৰিত্ৰসমূহে প্ৰদৰ্শন কৰা আচৰণৰ অস্বাভাৱিকতা তথা চৰিত্ৰসমূহে অস্বাভাৱিক আচৰণ কৰাৰ অন্তৰালত নিহিত কাৰণ সম্পৰ্কে অনুসন্ধান কৰা হৈছে।

**৪.৬ চৰিত্ৰৰ অতীত স্মৃতি ঃ**

স্মৃতি হৈছে ব্যক্তি মনস্তত্ত্বৰ লগত জড়িত এটি অন্যতম বিষয়। মানসিক জগতৰ এক বিশিষ্ট অভিজ্ঞতাই হৈছে স্মৃতি। “মনোবিদ উদৰৰ্থে স্মৃতিক পূৰ্বৰ শিক্ষণ-অভিজ্ঞতাৰ হুবহু পুনৰ উদ্ৰেক কাৰ্য বুলি অভিহিত কৰিছে।”[১৮] ফ্ৰয়েডীয় মনস্তাত্ত্বিক তত্ত্বত স্মৃতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। স্মৃতিভ্ৰংশ (Amnesia) ৰোগৰ মূল কাৰকেই হ’ল ব্যক্তিৰ শৈশৱ তথা অতীত স্মৃতি লোপ। ব্যক্তিৰ জীৱনত স্মৃতি এক অপৰিহাৰ্য অংগ। ই ব্যক্তিক মানসিকভাৱে সুস্থ-সবল জীৱন কটোৱাৰ দিশত আগবঢ়াই দিয়ে। স্মৃতিৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখিয়েই ফ্ৰয়েডে মনোবিশ্লেষণাত্মক চিকিৎসাত এই বিষয়টোৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছিল। ফ্ৰয়েডে এই সম্পৰ্কত কৈছে—

“মনোবিশ্লেষণাত্মক চিকিৎসাত শিশুসুলভ স্মৃতিশক্তিৰ ব্যৱধান নোহোৱা কৰিবলৈ যত্ন কৰা হয়। ইয়াৰ জৰিয়তে পাহৰণিৰ গৰ্ভত সোমাই যোৱা শৈশৱৰ বিষয়সমূহ পোহৰলৈ আনিব পাৰিলেই ৰোগৰ নিৰাময় সম্ভৱ হয়।”[১৯] শৈশৱ তথা অতীত স্মৃতিয়ে ব্যক্তিৰ জীৱনত বিশেষভাৱে ক্ৰিয়া কৰে। অৱচেতন মনত বিভিন্ন সময়ত লাভ কৰা অভিজ্ঞতা স্মৃতিৰ ৰূপত অৱদমিত হৈ ৰৈ যায়। ব্যক্তিভেদে আৰু অৱস্থাভেদে স্মৃতিৰ ৰূপ ভিন্ন হয়। ব্যক্তিৰ জীৱনত সংঘটিত হোৱা কিছুমান ঘটনা ব্যক্তিয়ে ইচ্ছাকৃতভাৱে স্মৃতিত ধৰি ৰাখিব বিচাৰে। আনহাতে কিছুমান অপ্ৰীতিকৰ ঘটনা ব্যক্তিয়ে স্মৃতিত ৰাখিব নিবিচাৰে। কিন্তু ব্যক্তিয়ে বিচৰা ধৰণে স্মৃতিবিজৰিত নহয়। স্মৃতিয়ে নিজস্ব ধৰণে কাৰ্য সম্পাদন কৰে। অৱচেতন মনত থকা অৱদমিত স্মৃতিসমূহে সুযোগ পালেই ব্যক্তিৰ চেতনাৰ জগতত প্ৰৱেশ কৰে। ই ব্যক্তিক পুনৰ অতীত অৱস্থালৈ লৈ যোৱাত অগ্ৰণী ভূমিকা পালন কৰে। অতীতৰ স্মৃতি সপোনৰ মাধ্যমেৰেও ব্যক্তিৰ চেতনাত প্ৰৱেশ কৰে। আকৌ শৈশৱৰ সপোনবোৰো সজীৱ অভিজ্ঞতাৰ নিচিনাকৈ স্মৃতিত বহু বছৰ পিছলৈ সংৰক্ষিত হৈ থাকে। “স্মৃতি ক্ৰিয়াৰ তৃতীয়টো পৰ্যায় হৈছে পুনঃস্মৰণ। পূৰ্ব অভিজ্ঞতাৰ প্ৰতিৰূপ অবচেতন মনৰ পৰা

চেতন মনলৈ পুনৰুদ্ধাৰ কৰি অনা কাৰ্যই হৈছে পুনঃস্মৰণ। ই এক সক্ৰিয় মানসিক প্ৰচেষ্টা। পুনঃস্মৰণৰ যোগে আমি পূৰ্বতে লাভ কৰা অভিজ্ঞতা উদ্দিপকৰ অবৰ্তমানতো সচেতন অৱস্থালৈ লৈ আনিব পাৰো।"[২০]

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ চৰিত্ৰসমূহৰ জীৱনতো অতীতৰ স্মৃতিয়ে বিশেষ ভূমিকা পালন কৰিছে। চৰিত্ৰসমূহে যেতিয়া ব্যক্তিগত জীৱনত মানসিক অশান্তি, সংঘাত আদিৰ সন্মুখীন হৈছে তেতিয়াই তেওঁলোকৰ চেতনাত অতীত স্মৃতিয়ে ভূমুকি মাৰিছে। তেওঁলোকে যাপন কৰি থকা জীৱনত ভাৰসাম্য ৰাখিব নোৱাৰি অতীতৰ মধুৰ দিনৰ স্মৃতি ৰোমন্থন কৰি মানসিক সন্তুষ্টি লাভ কৰিছে। *অৰুন্ধতী* উপন্যাসত বৈবাহিক জীৱনত অসুখী অনন্যাই মদ আৰু এলজোলাম সেৱন কৰি নিজৰ শৰীৰক কষ্ট দিছিল। যেতিয়া তেওঁৰ বাস্তৱ জ্ঞান উপলব্ধি হৈছিল তেতিয়া তেওঁৰ নিজে কৰা কাৰ্যৰ বাবে অনুশোচনা হৈছিল। সাংসাৰিক অসূয়া-অশান্তিত হাৰ মানি চৰিত্ৰটোৱে শৈশৱৰ স্মৃতিৰ আশ্ৰয় লৈছে। শৈশৱৰ মনোৰম দৃশ্য কিছুমান ৰোমন্থন কৰি বাস্তৱ জীৱনৰ অশান্তিৰ পৰা কিছুক্ষণৰ বাবে আঁতৰি থাকিব বিচাৰিছে। অতীতৰ ভাললগা স্মৃতিৰ মাজেৰে চৰিত্ৰটোৱে আত্ম অনুসন্ধান কৰিছে। ইয়ে চৰিত্ৰটোক মানসিক প্ৰশান্তি দিছে।

*সন্ধ্যা* উপন্যাসত স্বামী আৰু সন্তানৰ মৃত্যুৰ পিছত অকলশৰীয়া হৈ পৰা সন্ধ্যাই ইৰফানৰ মৰমৰ মাতষাৰ শুনি অতীতলৈ উভতি গৈছে। চাবেৰা আৰু ইৰফানৰ সৈতে শৈশৱতে কটোৱা সোণালী দিনবোৰ স্মৃতিৰ মাজেৰে সন্ধ্যাৰ মানসপটত জিলিকি উঠিছে। তিক্ততাময় বৈবাহিক জীৱনৰ পৰা আঁতৰি কিছুক্ষণৰ বাবে হ'লেও চৰিত্ৰটোৱে কোনোধৰণৰ দুখ-যন্ত্ৰণা অনুভৱ নকৰা কণমানি ছোৱালী হৈ উঠিছে। উপন্যাসখনত এই সম্পৰ্কত কোৱা হৈছে—

> চাবেৰাৰ মাত শুনি ফোনৰ ৰিচিভাৰ ধৰি থকা আজিৰ এই সন্ধ্যাজনীৰ মাজৰ পৰা
> এজনী ফুটুকী পখিলী বাহিৰ হৈছিল। বতাহত ফ্ৰক উৰুৱাই, খিলখিলাই হাঁহিৰে
> বাগৰি পৰিছিলগৈ হালধীয়াকৈ ফুলি ৰোৱা এডৰা সৰিয়হতলীত....
> আৰু তাইক তাৰ পৰা উঠাই আলফুলে চকুত চকু থৈ কৈ উঠিছিল কোনোবাই—
> মই তোমাক ভালপাওঁ সন্ধ্যা![২১]

বাস্তৱত কটাই থকা নিৰুদ্বেগ জীৱনৰ বিপৰীতে শৈশৱৰ পাৰ হৈ অহা সময়বোৰ সন্ধ্যাৰ বাবে আকৰ্ষণীয় হৈ পৰিছে। সন্ধ্যাৰ অৱচেতন মনত কোনো ধৰণৰ চিন্তা, দুখ-বেজাৰ নোহোৱাকৈ সমনীয়াৰ সৈতে হাঁহি ধেমালি কৰি কটোৱা দিনবোৰলৈ পুনৰ উভতি যোৱাৰ হেঁপাহ জাগি উঠিছে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত গাভৰু কালত নিৰ্মলাক প্ৰেমৰ প্ৰস্তাৱ দিয়া মানুহজন মধ্য বয়সীয়া নিৰ্মলাৰ স্মৃতিত ভুমুকি মাৰিছে। ব্ৰাহ্মণ নোহোৱাৰ বাবেই প্ৰেম প্ৰত্যাখ্যান কৰিলেও নিৰ্মলাৰ অৱচেতন মনত সেই ব্যক্তিজনৰ স্মৃতি অৱদমিত হৈ ৰৈছিল। সেয়েহে মধ্যবয়সত স্বামী, সন্তানৰ দ্বাৰা অৱহেলিত নিৰ্মলাই অতীতৰ স্মৃতি ৰোমন্থন কৰিছে। তেওঁৰ অৱচেতন মনে ধাৰণা কৰিছে যে বাস্তৱত স্বামীৰপৰা লাভ নকৰা মৰম, স্নেহ, যত্ন সেই প্ৰেমিকজনৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে হয়তো তেওঁ পালেহেঁতেন। সেয়েহে মধ্যবয়সত উপস্থিত হৈ নিৰ্মলাই যেতিয়া অতীতলৈ উভতি চাইছে তেতিয়াই তেওঁৰ অন্তৰত সুপ্ত হৈ থকা ব্যক্তিজন চেতনাত আবিৰ্ভাৱ হৈছে আৰু তেওঁৰ চিন্তাজগত আৱৰি ৰাখিছে।

*বাঁহী* উপন্যাসত মৌজাদাৰৰ সৈতে বিয়াত বহি সংসাৰ ধৰ্ম সুচাৰুৰূপে পালন কৰি যোৱা নয়নতৰাৰ স্মৃতিজগত ললিতৰ উপস্থিতিয়ে আলোড়িত কৰি ৰাখিছে। আনকি বিবাহৰ দিনাও নয়নতৰাক ললিতৰ স্মৃতিয়ে আমনি কৰিছে। প্ৰেমাস্পদক এৰি আহি বৈবাহিক জীৱন আৰম্ভ কৰিলেও নয়নতৰাৰ অৱচেতন মনে তেওঁৰেই উপস্থিতি কঢ়িয়াই ফুৰিছে। সেয়েহে নয়নতৰাই যেতিয়াই নিজকে নিঃসংগ অনুভৱ কৰিছে তেতিয়াই স্মৃতিৰ মাজেৰে ললিত তাইৰ চেতনাত প্ৰৱেশ কৰিছে। ললিতৰ সৈতে সংসাৰ কৰাৰ সপোন আধৰুৱা হৈ ৰোৱা নয়নতৰাই স্মৃতি ৰোমন্থন কৰি ললিতৰ উপস্থিতি অনুভৱ কৰিছে।

উপন্যাসখনত প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত মৌজাদাৰে সন্তান দুটিৰ বাবে দ্বিতীয় বিবাহ কৰায় যদিও তেওঁৰ চেতন-অৱচেতন মনত প্ৰথমা পত্নীৰ উপস্থিতি বৰ্তমান আছিল। সেয়েহে নয়নতৰাৰ সৈতে সুখী বৈবাহিক জীৱন কটোৱাৰ পিছতো সময়ে সময়ে প্ৰথমা পত্নীৰ স্মৃতি ৰোমন্থন কৰি মৌজাদাৰ যন্ত্ৰণাত ভুগিছিল। প্ৰথমা পত্নীৰ স্থান আন এগৰাকীক দিয়া বাবে মৌজাদাৰে কোনোবাখিনিত মানসিক হীনমন্যতাত ভুগিছিল। সন্তান জন্ম দিবলৈ গৈয়ে মৌজাদাৰৰ পত্নীৰ মৃত্যু হৈছিল। সেয়েহে পত্নীৰ স্মৃতি জাগ্ৰত হোৱাৰ সময়ত তেওঁ পত্নীৰ মৃত্যুৰ বাবে নিজকে দোষাৰোপ কৰি শোকাভিভূত হৈ পৰিছে।

প্ৰত্যেক ব্যক্তিৰ বুকুৰ নিঃভৃত কোণত অতীতৰ এৰি অহা দিনবোৰৰ স্মৃতি সোমাই থাকে। ব্যক্তিৰ অজানিতে ই চেতন-অৱচেতন জগতৰ মাজত অগা-ডেৱা কৰি থাকে। ব্যক্তিয়ে নিবিচাৰিলেও সুযোগ পালেই ই স্মৃতিৰ জৰিয়তে পোহৰলৈ আহে। *মই ডেচডিমনা হ'ব খোজোঁ* উপন্যাসখনতো নয়নাৰ স্মৃতিৰ মাজেৰে অতীতৰ ঘটনাবোৰ সজীৱ হৈ উঠিছে। নয়নাৰ জীৱনত ঘটি যোৱা যিবোৰ ঘটনাৰ পৰা পলাবলৈকে থিয়েটাৰ পাৰ্টীত যোগ দিছিল সেইবোৰ ঘটনা স্মৃতিৰ মাজেৰে

প্ৰতিটো মূহুৰ্ততে চৰিত্ৰটোৰ মানসপটত অগা-ডেৰা কৰি আছে। মামীয়েকৰ লগত দেউতাকৰ সম্পৰ্ক, মাকৰ আত্মহত্যা, ৰঞ্জয়ৰ প্ৰতাৰণা আদি অতীতৰ স্মৃতিসমূহে নয়নাক স্বাভাৱিক সুস্থিৰ জীৱন কটোৱাত বাধাৰ সৃষ্টি কৰিছে। অতীতৰ স্মৃতি জাগ্ৰত হ'লেই চৰিত্ৰটোৰ অভিনয় জীৱন তথা বাস্তৱ জীৱনৰ গতিও মন্থৰ হৈ পৰিছে। অতীতৰ ঘটনাবোৰ সকলোৰে সন্মুখত ওলাই পৰাৰ শংকাত চৰিত্ৰটো সংকুচিত হৈ ৰৈছে ।

*অনুৰোধ* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ ৰঘুপতি দাসে সুযোগ পালেই অতীতলৈ গতি কৰিছে। আইতাকৰ সৈতে ডাঙৰ-দীঘল হোৱা ৰঘুপতি দাসে আইতাকক মৃত্যুৰ পিছত স্মৃতিৰ জৰিয়তে জীয়াই ৰাখিছে। আইতাকক হেৰুৱাই অকলশৰীয়া হৈ পৰা ৰঘুপতি দাসে আইতাকৰ স্মৃতি বুকুত সামৰি জীৱনত আগবাঢ়িছে। নাৰীৰ পৰা দূৰত অৱস্থান কৰা ৰঘুপতি দাসে একেখন গাঁৱৰে ছোৱালী অমিয়াৰ প্ৰতি হয়তো আকৰ্ষিত হৈছিল। অমিয়াৰ সৈতে বাস্তৱ ক্ষেত্ৰত কোনোধৰণৰ সম্পৰ্ক নাৰাখিলেও ৰঘুপতি দাসৰ অৱচেতন মনত অমিয়াৰ অৱস্থান আছে। সেয়েহে চল্লিশ বছৰীয়া ৰঘুপতি দাসৰ স্মৃতিত অমিয়া নামৰ ছোৱালীজনীয়েও ভুমুকি মাৰিছে।

*বৰদোৱানী* উপন্যাসত বকুলৰ স্মৃতিয়ে বৰদোৱানীৰ সমগ্ৰ সত্তাক আলোড়িত কৰিছে। বৰদোৱানীৰ প্ৰেমপ্ৰত্যাশী পুৰুষ বকুলৰ মৃত্যুৰ বাতৰি শুনি বৰদোৱানী শোকত ভাগি পৰিছে। বকুলৰ স্মৃতি বুকুত সামৰি পুণ্যধৰৰ সৈতে বিয়াত বহা বৰদোৱানীৰ অৱচেতন মনত বকুলৰ উপস্থিতি অৱদমিত হৈ আছিল। সেয়েহে বকুলে আত্মহত্যা কৰা খবৰটোৱে বৰদোৱানীৰ চিন্তাধাৰা, আচৰণ সমগ্ৰতে প্ৰভাৱ পেলাইছিল। বিবাহিতা হৈও বৰদোৱানীয়ে পূৰ্বৰ প্ৰেমাস্পদৰ মৃত্যুশোকত ৰাউচি জুৰি কান্দিছে। বৰদোৱানীৰ মানসিক অৱস্থাৰ বিষয়ে উপন্যাসখনত কোৱা হৈছে— "দেখাত চেপেটা যেন লগা এই পৃথিৱীৰে এটা মূৰত ডিঙিত চিপ্ লৈ ওলমি থকা বকুললৈ চাই চায়ে এইমূৰে তাই এয়া কান্দিছে... গগন ফালি কান্দিছে... গছৰ পাত সৰুৱাই কান্দিছে।"[২২]

বৰদোৱানীৰ নিচিনা একেই অৱস্থা হৈছিল *অৰুন্ধতী* উপন্যাসত অনন্যাৰ। অনন্যাৰ প্ৰেমাস্পদ কুমাৰ চাহাবৰ মৃত্যুৰ খবৰ শুনি বৰদোৱানীৰ নিচিনাকৈ অনন্যাও মানসিকভাৱে ভাগি পৰিছিল। কুমাৰ চাহাবৰ স্মৃতিয়ে অনন্যাৰ সমগ্ৰ মানসিক সত্বাক এনেদৰে ক্ৰিয়া কৰিছিল যে তেওঁ নিজৰ সংসাৰ আৰু স্বামীৰ প্ৰতিও অমনোযোগী হৈ উঠিছিল।

*মুক্তি* উপন্যাসত স্মৃতি ভট্টাচাৰ্যৰ মৃত সন্তান স্মৃতি হৈ তেওঁৰ চেতনাৰ জগতত সঘনাই প্ৰৱেশ কৰিছে। একমাত্ৰ সন্তানক হেৰুৱাই ভাঙি পৰা স্মৃতিয়ে দৈনন্দিন জীৱনত বিভিন্ন কাম-

কাজত ব্যস্ত হৈ থাকি সন্তানৰ শোক পাহৰিব বিচাৰিছে। কিন্তু মাতৃ হোৱাৰ প্ৰবল বাসনা অন্তৰত ধাৰণ কৰি থকা স্মৃতিক মৃত সন্তানৰ স্মৃতিয়ে আমনি কৰিছে।

*যমুনা* উপন্যাসতো যমুনাৰ মৃত সন্তান আৰু স্বামী স্মৃতিৰ জৰিয়তে সঘনাই যমুনাৰ মন-মগজুত ভুমুকি মাৰিছে। স্মৃতি ভট্টাচাৰ্যৰ লেখিয়াকৈ যমুনাৰ জীৱনতো লগ পোৱা সকলোবোৰ ল'ৰাই মৃত সন্তানৰ স্মৃতি কঢ়িয়াই আনিছে। মৃত সন্তান আৰু স্বামীৰ স্মৃতিয়ে যমুনাৰ মনোজগত ধৰাশায়ী কৰি তুলিছে। ইয়াৰ প্ৰভাৱ তেওঁৰ চিন্তাধাৰা আৰু আচাৰ-আচৰণতো পৰিলক্ষিত হৈছে। চৰিত্ৰটোৱে স্বামী আৰু সন্তানৰ কায়িক অনুপস্থিতিক বাস্তৱসন্মতভাৱে গ্ৰহণ কৰিলেও সময়ে সময়ে তেওঁৰ মনে এই সত্যক অস্বীকাৰো কৰিছে। বাস্তৱ আৰু কল্পনাৰ ৰাজ্যত ভ্ৰমি ফুৰা চৰিত্ৰটোৱে একপ্ৰকাৰৰ মানসিক সন্তোলন হেৰুৱাৰ নিচিনা আচৰণ কৰিছে।

*চামিয়ানা* উপন্যাসত শ্বেতাৰ অতীতৰ অপূৰণীয় আশা-আকাংক্ষাবোৰ স্মৃতিৰ মাজেৰে পুনৰ শ্বেতাৰ মানসপটত জিলিকি উঠিছে। শ্বেতাৰ নাৰিকলৰ লচ্‌কৰা প্ৰিয়। সৰুতে মাকে বনোৱা লচ্‌কৰা বিচাৰি ফ্ৰক উৰুৱাই দৌৰি দৌৰি মাকৰ ওচৰ পাইছিল কিন্তু তাই লচ্‌কৰা ভাগত পোৱা নাছিল। মাকে সকলো লচ্‌কৰা ভায়েকৰ চিকিৎসা কৰি থকা ডাক্তৰণীলৈ পঠিয়াই দিছিল। যাৰফলত লচ্‌কৰা খাব বিচৰা শ্বেতাৰ মনৰ ইচ্ছাকাংক্ষা অপূৰ্ণ হৈ ৰৈ গৈছিল। পৰৱৰ্তী সময়ত শ্বেতাক লগ কৰিব অহা গাওঁবুঢ়াজনে যেতিয়া শ্বেতালৈ লচ্‌কৰা বান্ধি লৈ আহিছিল তেতিয়া শ্বেতাৰ মানসপটত পূৰ্বৰ স্মৃতি জাগ্ৰত হৈ পৰিছিল। যাৰফলস্বৰূপে শ্বেতা আৱেগিক হৈ পৰিছিল আৰু দুয়ো চকু আনন্দৰে ভৰি পৰিছিল।

উপন্যাসসমূহত চৰিত্ৰৰ অতীত স্মৃতিয়ে চৰিত্ৰৰ বৰ্তমান জীৱনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে। বৰ্তমান জীৱনত সন্মুখীন হোৱা দুখ-যন্ত্ৰণাৰ পৰা কিছুক্ষণৰ বাবে আঁতৰি চৰিত্ৰসমূহে স্মৃতিৰ জৰিয়তে অতীতৰ মধুৰ সময়ত বিচৰণ কৰিছে। এনেদৰেই চৰিত্ৰসমূহে স্মৃতিৰাজ্যত পৰিভ্ৰমণ কৰি মানসিক পৰিতৃপ্তি লাভ কৰিছে। সকলোৰে বাবে শৈশৱ তথা অতীত জীৱন সুন্দৰ নহয়। সেইহেতুকে অতীতৰ স্মৃতিসমূহো বহুতৰে জীৱনৰ বাবে ইপ্সিত নহয়। এইক্ষেত্ৰত নয়নাৰ প্ৰসংগ উল্লেখযোগ্য।

**৪.৭ চৰিত্ৰৰ মানসিক দ্বন্দ্ব ঃ**

মানসিক দ্বন্দ্ব চৰিত্ৰৰ এক গুৰুত্বপূৰ্ণ মনস্তাত্বিক দিশ। ফ্ৰয়েডৰ মতে ব্যক্তিৰ জীৱন বিভিন্ন মানসিক দ্বন্দ্বৰদ্বাৰা পৰিচালিত হয়। এই সম্পৰ্কে প্ৰথম অধ্যায়ত বিস্তৃত আলোচনা কৰা হৈছে।

ব্যক্তিৰ বাহ্যিক জীৱন আৰু আভ্যন্তৰীণ জীৱনৰ মাজত সামঞ্জস্য নাথাকিলে ব্যক্তিয়ে মানসিক দ্বন্দ্বত ভুগে। ব্যক্তি মনত চেতন আৰু অৱচেতন এই দুই ধৰণৰ দ্বন্দ্বৰ সৃষ্টি হয়। চেতন মনত সংঘৰ্ষ হ'লে ব্যক্তিয়ে সেয়া অনুধাৱন কৰি ল'ব পাৰে। কিন্তু অৱচেতন মনত অহৰহ ক্রিয়া কৰি থকা দ্বন্দ্ব সম্পৰ্কে ব্যক্তি জ্ঞাত নহয়। অৱচেতন মনৰ দ্বন্দ্বৰ প্ৰকৃত স্বৰূপ ব্যক্তিয়ে অনুধাৱন কৰিব নোৱাৰে। যাৰফলত ব্যক্তি বহুসময়ত হতাশা, নিৰাশাত ভোগাৰ লগতে মানসিকভাৱে ভাগি পৰা পৰিলক্ষিত হয়।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ চৰিত্ৰসমূহ চেতন-অৱচেতন মনৰ দ্বন্দ্বত ভাৰাক্রান্ত হৈ পৰা দৃষ্টিগোচৰ হৈছে। ঔপন্যাসিকাৰ *অৰুন্ধতী* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ অনন্যা চেতন-অৱচেতন দ্বন্দ্বৰ দ্বাৰা পীড়িত। চৰিত্ৰটোৱে প্ৰকৃততে কি বিচাৰে সেই সম্পৰ্কেও চৰিত্ৰটো জ্ঞাত নহয়। যাৰবাবেই চৰিত্ৰটোৰ চিন্তা-চেতনা, আচাৰ-আচৰণ সকলোতে একধৰণৰ খামখেয়ালীৰ সৃষ্টি হৈছে। প্ৰথম বৈবাহিক জীৱনত অনন্যাই সুখী হ'ব পৰা নাই। স্বামীৰপৰা পোৱা শাৰীৰিক, মানসিক অত্যাচাৰে অনন্যাক মানসিক যন্ত্ৰণা দিছে। এই সম্পৰ্কে চৰিত্ৰটোৱে নিজেও উপলব্ধি কৰিছে যদিও তাৰ পিছতো স্বামীক সুখী কৰি ৰাখিবৰ বাবে অহৰহ চেষ্টা কৰি গৈছে। এই সম্পৰ্কত অনন্যাই কৈছে—

> কিন্তু, স্বামীক সুখী কৰিবলৈনো কি কৰিম মই নিজেই ভাবি পোৱা নাছিলোঁ। ভাব হৈছিল, যি কৰ্মই নকৰোঁ কিয়, সকলো দেখোন তেওঁৰ বাবেই কৰোঁ। তেওঁক সন্তুষ্ট কৰিবলৈকেতো নিজকে ঢাকি ৰাখিব খোজোঁ, বিষাদৰ এযাৰ কথাও নজনোৱাকৈ।
>
> শাহুৰ পৰামৰ্শবোৰ আখৰে আখৰে পালন কৰিবলৈ যত্নপৰ হৈ ৰৈছিলোঁ। প্ৰতিবাদতো দূৰৈৰ কথা, এযাৰ অনুৰোধো নকৰাকৈ কেৱল তেওঁক সন্তুষ্ট কৰিবলৈকে, পৃথিৱীৰ সবাতোকৈ সুখী ব্যক্তি কৰি তুলিবলৈ অহৰহ চেষ্টা কৰি থাকিলোঁ। কিন্তু বুজিয়েই পোৱা নাছিলোঁ, সেয়া মই কিহলৈ ৰূপান্তৰিত হৈ গৈ আছিলোঁ! এৰা, পত্নীৰ স্থানৰ পৰা ক্রীতদাসীলৈহে মোৰ যেন ধীৰে ধীৰে পৰ্যবসন ঘটিবলৈ ধৰিছিল![২৩]

স্বামীৰ লগত বিবাহ বিচ্ছেদ কৰি মাকৰ ঘৰত থকাৰ পিছতো চৰিত্ৰটোৱে প্ৰতিটো মূহুৰ্ততে স্বামীৰ সংগ তথা সান্নিধ্য বিচাৰি বিয়াকুল হৈ পৰিছে। স্বামীৰ অমানুষিক নিৰ্যাতন সহিও বিচ্ছেদৰ পিছতো স্বামীৰ মংগল কামনা কৰি স্বামীৰ নামত শিৰত সেন্দুৰ ধাৰণ কৰিছে। কুমাৰ চাহাবক সংগ উপভোগ

কৰাৰ পিছতো কুমাৰ চাহাবক লগত বিয়াত বহিবলৈ অমান্তি হোৱা অনন্যাই কুমাৰ চাহাবৰ মৃত্যুশোকত ভাগি পৰা দৃষ্টিগোচৰ হৈছে। হৃদয়ৰ লগত বিয়াত বহাৰ পিছত চৰিত্ৰটোৱে সুখী হোৱা বুলি স্বীকাৰ কৰিছে যদিও উপন্যাসখনৰ শেষ সময়ছোৱাতো তেওঁৰ অন্তৰে প্ৰকৃততে কেনেকুৱা পুৰুষ বিচাৰে সেই সম্পৰ্কত চৰিত্ৰটো নিশ্চিত হ'ব পৰা নাই। এনেদৰেই চৰিত্ৰটোৰ অৱচেতন মনত চলি থকা দ্বন্দ্বই চৰিত্ৰটোৰ বাহ্যিক কাম-কাজক পৰিচালিত কৰিছে। চৰিত্ৰটোৱে নিজৰ অন্তৰৰ ইঙ্গিত ইচ্ছাকাংক্ষা সম্পৰ্কত নিজেই নিশ্চিত নোহোৱা বাবে মানসিক অসন্তুষ্টি তথা খাম-খেয়ালীৰ জীৱন কটাইছে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত পুত্ৰ-বোৱাৰী, জীয়াৰীৰ মানসিক নিৰ্যাতন সহিব নোৱাৰি নিৰ্মলাই নিজ ইচ্ছাৰে ঘৰ এৰি গৈছে যদিও যোৱাৰ পৰলৈকে সন্তানহঁতে তেওঁক বৃদ্ধাশ্ৰমত যোৱাত বাধা দিয়াতো আশা কৰিছে। চেতন মনেৰে তেওঁ বৃদ্ধাশ্ৰমলৈ যাব ওলাইছে যদিও অৱচেতন মনে সন্তানৰ মোহ ত্যাগ কৰিব পৰা নাই। নিজে জন্ম দিলেও সেই সন্তান যে তেওঁৰ বাবে উদ্বিগ্ন নহয় সেয়া বাস্তৱ পৰিস্থিতিয়ে তেওঁক বুজাই দিছে। তৎসত্ত্বেও তেওঁৰ অৱচেতন মনে সন্তানে তেওঁক স্নেহ, যত্নেৰে আৱৰি ৰখাটো বিচাৰিছে। বৃদ্ধাশ্ৰমত স্থায়ীভাৱে থাকিবলৈ লোৱাৰ পিছতো তেওঁ মানসিক দ্বন্দ্বৰ পৰা মুক্তি পোৱা নাই। সন্তানহঁতে তেওঁক আদৰি লোৱাৰ সকলো সম্ভাৱনা শেষ হোৱাৰ পিছতো চৰিত্ৰটোৱে সন্তানৰ অপেক্ষাত দিন কটাইছে। সপোনত সন্তানহঁতে তেওঁক মৰম আৰু শ্ৰদ্ধাৰে আদৰি লোৱা দেখিছে। এনেদৰেই চেতন-অৱচেতন মনৰ দ্বন্দ্বই চৰিত্ৰটোৰ জীৱনত হতাশা, নিৰাশা কঢ়িয়াই আনিছে।

*সন্ধ্যা* উপন্যাসত পিতৃৰ কথামতে প্ৰেমিক ইৰফানৰ সলনি পাৰ্থৰ সৈতে বিয়াত বহি সন্ধ্যাই চেতন-অৱচেতন মনৰ দ্বন্দ্বত ভুগিছে। ইয়ে চৰিত্ৰটোৰ সাংসাৰিক জীৱনতো বিৰূপ প্ৰভাৱ পেলাইছে। চেতন অৱস্থাৰে সন্ধ্যাই পাৰ্থক স্বামী হিচাপে গ্ৰহণ কৰি বৈবাহিক সম্পৰ্ক আগবঢ়াই নিয়াৰ সিদ্ধান্ত লৈছে যদিও অৱচেতন মনে ইয়াত সময়ে সময়ে বাধা প্ৰদান কৰিছে। সন্ধ্যাৰ অৱচেতন মনত ইৰফানৰ উপস্থিতি থকা বাবে পাৰ্থক সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। ভিতৰি ভিতৰি ইৰফানৰ সৈতে পাৰ্থক তুলনা কৰি চৰিত্ৰটোৱে মানসিক অশান্তি লাভ কৰিছে। যাৰবাবে স্বামী হিচাপে পাৰ্থক দিবলগা গুৰুত্ব সন্ধ্যাই দিবলৈ অক্ষম হৈছে। ইয়ে পাৰ্থৰো মানসিক অশান্তি বৃদ্ধি কৰিছে। উপন্যাসখনত কোৱা হৈছে—

> সচাঁ কথা, এই কথা সচাঁ যে নিজৰ অজানিতেই তাই পাৰ্থৰ মাজত ইৰফানৰ স্নিগ্ধতা ঘুৰ্মুটিয়াবলৈ ধৰিছিল। আৰু পাৰ্থ? এজনী যন্ত্ৰচালিত পুতলাৰ কাণত

সঞ্জীৱনী মন্ত্ৰ ঢালি ঢালি সি যেন বিৰক্ত হৈ পৰিছিল। বহু সময় ষ্ট'ৰৰূমত বিচাৰি খোঁচাৰি পুৰণি পাৰ্টনাৰৰ ফোন নম্বৰ বাহিৰ কৰি সেইবোৰৰ স'তে পুনৰ সম্পৰ্ক গঢ়ি তুলিছিল। নহয় নহয়, এখন অদৃশ্য দেৱাল গঢ়ি তুলিছিল স্বামী-স্ত্ৰীৰ মাজতহে।[২৪]

উপন্যাসখনত পাৰ্থ চৰিত্ৰটোৰ জীৱনত মানসিক দ্বন্দ্বই সক্ৰিয় ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। স্বামী-স্ত্ৰীৰ মাজত বিচ্ছেদ ঘটি সৰুতহে পাৰ্থক দেউতাকৰ সৈতে এৰি যোৱা মাকৰ প্ৰতি পাৰ্থই অৱচেতন মনত তীব্ৰ ঘৃণা কঢ়িয়াই লৈ ফুৰিছে। অৱচেতন মনত চলি থকা দ্বন্দ্বৰ বাবেই চৰিত্ৰটোৱে অত্যাধিক মদ্যপান তথা নাৰীৰ সৈতে সম্পৰ্ক স্থাপন কৰি মাকৰ প্ৰতি যেন প্ৰতিবাদহে সাব্যস্ত কৰিছে। চৰিত্ৰটোৱে শৈশৱৰে পৰা কঢ়িয়াই ফুৰা মানসিক দ্বন্দ্বই চৰিত্ৰটোক অনৈতিক কাৰ্য-কলাপৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে।

*বৰদোৱানী* উপন্যাসখনত বৰদোৱানীয়ে বংশৰক্ষাৰ বাবে চেতন অৱস্থাৰে পুণ্যধৰক দ্বিতীয় বিবাহৰ বাবে আগবঢ়াই দি মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছে। বৰদোৱানীয়ে প্ৰকৃততে পুণ্যধৰৰ দ্বিতীয় বিবাহ বিচৰা নাছিল। পুণ্যধৰৰ দ্বিতীয় বিবাহৰ প্ৰসংগ ওলোৱাৰে পৰা চৰিত্ৰটোই প্ৰদৰ্শন কৰা আচৰণৰ পৰা সেয়া অনুধাৱন কৰিব পাৰি। কিন্তু বাস্তৱিকতে বৰদোৱানীয়ে নিবিচাৰিলেও পৰিয়ালৰ মানুহৰ বাবে সেয়া কৰিবলগীয়া হৈছিল। যাৰফলশ্ৰুতিত চৰিত্ৰটোৱে মানসিক দ্বন্দ্বত ভুগিছিল। আনকি পুণ্যধৰ আৰু ৰেণুমাইৰ বৰ্ধিত সম্পৰ্কই বৰদোৱানীৰ মানসিক দ্বন্দ্ব বৃদ্ধি কৰিছিল।

উপন্যাসখনত পুণ্যধৰেও মানসিক দ্বন্দ্বত ভোগা পৰিলক্ষিত হৈছে। বৰদোৱানীৰ বাহিৰে আনৰ কথা চিন্তা নকৰা বুলি কোৱা পুণ্যধৰে ৰেণুমাইৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। যেতিয়া তেওঁৰ বাস্তৱ জ্ঞান উদয় হৈছে তেতিয়া বৰদোৱানীৰ লগত অন্যায় কৰা বুলি চৰিত্ৰটোৱে মানসিক অন্তৰ্দ্বন্দ্বত দিন কটাইছে। বৰদোৱানীৰ ভগ্ন মন, ভগ্ন স্বাস্থ্য লক্ষ্য কৰি পুণ্যধৰৰ মানসিক যন্ত্ৰণা বৃদ্ধি পাইছে। সেয়েহে চৰিত্ৰটোৱে পাৰ্যমানে বৰদোৱানীৰ যত্ন লৈছে।

*যমুনা* উপন্যাসত স্বামী আৰু সন্তানৰ মৃত্যুৰ পিছত যমুনাই মানসিক দ্বন্দ্বত ভুগিছিল। যমুনাৰ চেতনাই স্বামী-পুত্ৰৰ মৃত্যু মানি ল'ব বিচাৰে যদিও অৱচেতন মনে সেয়া মানি ল'ব নিবিচাৰে। যাৰবাবে চেতন-অৱচেতন মনৰ দ্বন্দ্বত চৰিত্ৰটো দুখ-যন্ত্ৰণাত জৰ্জৰিত হৈ পৰিছে। স্বামী-সন্তানৰ মৃত্যুৰ পিছতো তেওঁলোকৰ কায়িক উপস্থিতি অনুভৱ কৰি চৰিত্ৰটোৱে অস্বাভাৱিক আচৰণ কিছুমান কৰা পৰিলক্ষিত হৈছে। চৰিত্ৰটোৰ অন্তৰত অৱদমিত যৌনক্ষুধা সম্পৰ্কে উমান পাইও চৰিত্ৰটোৱে মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছে।

*মই ডেচডিম'না হ'ব খোজোঁ* উপন্যাসত প্ৰতিটো মূহুৰ্ততে নয়না মানসিক দ্বন্দ্বত ভুগিছে।

শৈশৱৰ পৰা পৰিয়াল চক্ৰত লাভ কৰা নেতিবাচক অভিজ্ঞতাসমূহ অৱচেতন মনত কঢ়িয়াই ফুৰা বাবে নয়নাই বাস্তৱ পৰিৱেশ-পৰিস্থিতিৰ লগত সহাৱস্থান কৰিব পৰা নাছিল। মানসিক অন্তৰ্দ্বন্দ্বত ভুগি থকা চৰিত্ৰটোৰ আচাৰ-আচৰণত তাৰ প্ৰভাৱ পৰিছিল। মানুহৰ ভীৰৰ মাজত থাকিও চৰিত্ৰটোৱে অকলশৰীয়া হৈ ৰৈছিল। বাহ্যিকভাৱে দৈনন্দিন কাম-কাজ কৰি থাকিলেও অন্তৰত অহৰহ শৈশৱৰ অভিজ্ঞতাসমূহ ধাৰণ কৰি থকা বাবে কাম-কাজত একান্তভাৱে মনোনিৱেশ কৰিব পৰা নাই। এনে পৰিপেক্ষিতত চৰিত্ৰটোৰ জীৱনত হতাশা, নিৰাশা, একাকীত্বই আৱৰি ধৰিছিল।

*অনুৰোধ* উপন্যাসত মাহীমাকৰ মৰমৰপৰা বঞ্চিত ৰঘুপতি দাসে মানসিক যন্ত্ৰণাত শৈশৱ-কৈশোৰ পাৰ কৰিছিল। মাহীমাকৰ মাজত মৃত মাকৰ মৰম বিচাৰি নোপোৱাত চৰিত্ৰটোৱে অন্তৰ্দ্বন্দ্বত ভুগিছিল। উপন্যাসখনত দ্বিতীয় বিবাহৰ পিছত স্বামীধৰ্ম আৰু পিতৃধৰ্মৰ মাজত পিষ্ট হৈ ৰঘুপতি দাসৰ পিতৃয়েও মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছে। পত্নীৰ মানসিক নিৰ্যাতনৰ ফলত নিজৰ সন্তান ৰঘুপতি দাসক উপহাৰ এটি দিবলৈকেও চৰিত্ৰটোৱে মিছাৰ আশ্ৰয় ল'বলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছিল।

এনেদৰেই উপন্যাসৰ চৰিত্ৰসমূহে মানসিক দ্বন্দ্বত ভোগা দৃষ্টিগোচৰ হৈছে। মানসিক অন্তৰ্দ্বন্দ্বই চৰিত্ৰসমূহৰ বাস্তৱিক জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে। ইয়াৰ পৰিপেক্ষিতত চৰিত্ৰসমূহে এক সুস্থ স্বাভাৱিক জীৱন যাপনৰ পৰা বঞ্চিত হৈ ৰৈছে। চেতন- অৱচেতন মনৰ দ্বন্দ্বই চৰিত্ৰসমূহক ভাৰাক্ৰান্ত কৰিছে। অনন্যা, নিৰ্মলা, *সন্ধ্যা*, বৰদোৱানী, পুণ্যধৰ, নয়না, ৰঘুপতি দাস সকলোৰে মানসিক দ্বন্দ্বৰ কাৰণ বেলেগ যদিও তাৰ প্ৰভাৱ চৰিত্ৰসমূহৰ জীৱনত একেধৰণেই পৰিছে। হতাশা, নিৰাশা আৰু একাকীত্বৰ মাজত চৰিত্ৰসমূহে মানসিকভাৱে ভাগি পৰিছে।

ফ্ৰয়েড আৰু ইয়ুঙৰ তত্ত্বৰ আধাৰত চৰিত্ৰৰ মনস্তত্ত্ব সম্পৰ্কত কিছু কথা কোৱা হৈছে যদিও আমি যদি চৰিত্ৰবোৰৰ মনস্তত্ত্বক অতি গভীৰভাৱে চাওঁ তেতিয়া দেখিম যে উপন্যাসসমূহত চৰিত্ৰবোৰৰ কোনো মনস্তাত্ত্বিক নিৰ্দিষ্ট স্বৰূপ নিৰূপনৰ চেষ্টা কৰা নাই। গতানুগতিক পৰম্পৰাগত উপন্যাসৰ বাদে আধুনিক উপন্যাসত ঔপন্যাসিকে চৰিত্ৰ সম্পৰ্কে নিৰ্দিষ্ট ধাৰণা দিয়াৰ চেষ্টা নকৰে। চৰিত্ৰৰ মনস্তত্ত্বৰ নিৰ্মাণৰ ক্ষেত্ৰত একধৰণৰ দ্বন্দ্ব, একধৰণৰ সংঘাতত ঔপন্যাসিকে হাত নিদিয়াকৈ এৰি দিয়ে। আধুনিক সাহিত্যক মনস্তত্ত্বমূলক, অন্তৰ্মুখী বুলি কোৱাৰ কাৰণ এইটোৱেই। লাঁকাই অৱচেতন মনক ভাষাৰ লগত সম্পৰ্কিত কৰি আলোচনা কৰিছে। এই সম্পৰ্কে ইতিমধ্যে প্ৰথম অধ্যায়ত আলোচনা কৰা হৈছে। ভাষাৰ ক্ষেত্ৰত দেখা যায় যে এটা শব্দই পৰিৱেশ, পৰিস্থিতি, প্ৰেক্ষাপট অনুযায়ী ভিন ভিন অৰ্থ পৰিগ্ৰহণ কৰে। ভাষাৰ প্ৰয়োগটো প্ৰতীকাত্মক। অনুৰূপধৰণে

মানুহৰ অৱচেতন মনটোও প্ৰতীকাত্মক। ফ্ৰয়েড, ইয়ুং আদিয়ে অৱচেতন মনৰ স্পষ্ট আৰু নিৰ্দিষ্ট স্বৰূপ সম্পৰ্কত কোৱা ধৰণে লাঁকাই কোৱা নাই। লাঁকাই ফ্ৰয়েড, ইয়ুঙৰ সৈতে পাৰস্পৰিক বিৰোধ কৰা নাই। তেওঁ অৱচেতন স্তৰ, সপোন আদি গ্ৰহণ কৰিছে যদিও তাত সংযোজন ঘটাইছে। লাঁকাৰ মতে অৱচেতন আছে কিন্তু তাক স্পষ্টকৈ ধৰিব পৰা নাযায়। লাঁকাৰ মতে অৱচেতন মনৰ স্বৰূপ স্পষ্ট আৰু নিৰ্দিষ্ট নহয়। অৱচেতনটো সদায়ে খেলৰ পৰ্যায়ত থাকে। শব্দ এটাৰ প্ৰকৃত তাৎপৰ্য নোপোৱাৰ দৰে অৱচেতন মনৰো প্ৰকৃত তাৎপৰ্য অনুধাৱন কৰিব পৰা নাযায়। অৱচেতনাৰ বোধগম্যতাৰ যি অনিৰ্দিষ্টতা সেই অনিৰ্দিষ্টতাৰ কথাকেই লাঁকাই কৈছে। অৱচেতন ভাষাৰ দৰেই গঢ় লয়।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত চৰিত্ৰবোৰৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কথা কোৱা হৈছে, চৰিত্ৰবোৰৰ মাজত হোৱা দ্বন্দ্ববোৰৰ কথা কৈছে, চৰিত্ৰৰ মনস্তাত্ত্বিক দ্বন্দ্বৰ কথা কোৱা হৈছে। কিন্তু চৰিত্ৰবোৰৰ কোনো মনস্তাত্ত্বিক স্বৰূপক নিৰ্দিষ্ট ৰূপত তুলি ধৰাৰ ধ্যান-ধাৰণা উপন্যাসসমূহত নাই। চৰিত্ৰৰ সম্পৰ্কত ভাল-বেয়া বুলি কোনো নিৰ্দিষ্ট স্পষ্ট ইংগিত ঔপন্যাসিকাই দিয়া নাই। সেয়েহে ইয়াত পাঠকৰ মনস্তত্ত্বৰ আলোচনা প্ৰাসংগিক হৈ পৰে। চৰিত্ৰৰ অৱচেতন মন, সপোন, মানসিক দ্বন্দ্ব আদি বিভিন্ন দিশবোৰৰ জৰিয়তে চৰিত্ৰসমূহৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰা হৈছে যদিও প্ৰকৃতাৰ্থত চৰিত্ৰসমূহক আমি অনুধাৱন কৰিব পৰা নাই। সদায়েই ই প্ৰতীকি স্তৰতে ৰৈ গৈছে। ব্যক্তিৰ সপোন লক্ষ্য কৰি আমি ব্যক্তিৰ অৱচেতন মন বা অতীতৰ কথা নিৰ্দিষ্টকৈ কৈ দিব নোৱাৰোঁ। কিয়নো কিছুমান সপোনৰ কিম্ভূত-কিমাকাৰ ৰূপো থাকে। যিবোৰৰ অৰ্থ নিৰূপন কৰা সম্ভৱ নহয়। চৰিত্ৰৰ মনস্তত্ত্বত সমাৱেশ ঘটা পাৰস্পৰিক সংঘাত, পাৰস্পৰিক বিৰোধ তথা স্ববিৰোধ এই গোটেইবোৰেই আচলতে লাঁকাই কোৱাৰ লেখিয়াকৈ মানুহৰ মনস্তত্ত্বক নিৰ্দিষ্ট সূত্ৰত বা নিৰ্দিষ্ট স্বৰূপত বান্ধ খোৱাৰ অসম্ভাৱনীয়তাকে প্ৰতিফলিত কৰিছে। বহুসময়ত চৰিত্ৰৰ অৱচেতনাৰ কথাবোৰ অনুমানভিত্তিক কৈ থকা হৈছে। কিন্তু গভীৰভাৱে চালে তাত ঔপন্যাসিকাই চৰিত্ৰসমূহৰ মনস্তত্ত্বৰ স্পষ্ট স্বৰূপ নিৰূপনৰ চেষ্টা কৰা নাই। তাৰ বিপৰীতে অৱচেতনৰ অনিৰ্দিষ্টতা, অস্পষ্টতা, দুৰ্বোধ্যতা আদি উপন্যাসসমূহত উপস্থাপন কৰিছে। ঔপন্যাসিকাই *অৰুন্ধতী* উপন্যাসত অনন্যা, *সন্ধ্যা* উপন্যাসত সন্ধ্যা, *বাঁহী* উপন্যাসত নয়নতৰা, *যমুনা* উপন্যাসত যমুনা, *মই ডেচডিম'না হ'ব খোজোঁ* উপন্যাসত নয়না আদি চৰিত্ৰক একধৰণৰ মানসিক অস্থিৰতা, শূন্যতা, সিদ্ধান্তহীনতাত এৰি দিয়া দেখা গৈছে। চৰিত্ৰসমূহৰ সম্পৰ্কত বহুবোৰ কথা ঔপন্যাসিকাই নিৰ্দিষ্টকৈ নোকোৱাৰ মূল কাৰণটোৱেই হ'ল মানুহৰ অৱচেতন সম্পৰ্কত লাঁকাই কোৱাৰ দৰে কোনো নিৰ্দিষ্ট ধাৰণা নাই।

### ৪.৮ চৰিত্ৰৰ মানসিক উত্তৰণ ঃ

মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ প্ৰধান চৰিত্ৰসমূহ জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাত, সমস্যাৰে জৰাজীৰ্ণ। ব্যক্তিগত জীৱনত চৰিত্ৰসমূহ ভাৰাক্ৰান্ত হৈ পৰিছে যদিও চৰিত্ৰসমূহে মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা নাই। প্ৰথম অৱস্থাত চৰিত্ৰসমূহৰ জীৱনৰ সন্তোলন কিছু পৰিমাণে থৰক-বৰক হৈ পৰিলেও জীৱনৰ অভিজ্ঞতা আৰু মানসিক দৃঢ়তাই তেওঁলোকক পৰৱৰ্তী সময়ত সবল কৰি তুলিছে। সময় আৰু পৰিস্থিতি সাপেক্ষে চৰিত্ৰসমূহৰ মানসিক উত্তৰণ ঘটিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ *অৰুন্ধতী* উপন্যাসত অনন্যা চৰিত্ৰটোৰ মানসিক উত্তৰণ ঘটিছে দ্বিতীয় বিবাহ কৰিবলৈ লোৱা সিদ্ধান্তটোত। যিগৰাকী নাৰীয়ে বিচ্ছেদৰ পিছতো স্বামীৰ মংগল কামনাৰে শিৰত সেন্দুৰ ধাৰণ কৰিছে, স্বামীৰ স্মৃতিত ব্যথিত হৈ পৰিছে সেইগৰাকী নাৰীয়েই নিজৰ পছন্দমতে দ্বিতীয় বিবাহ কৰোৱাটো এক সবল পদক্ষেপ। দুখ-যন্ত্ৰণাৰ গণ্ডীৰ মাজতে গোটেই জীৱনটো আৱদ্ধ নাৰাখি চৰিত্ৰটোৱে নিজৰ মানসিক সুখ-শান্তিৰ সন্ধান কৰিছে। যিখন সমাজত ডিভোৰ্চী নাৰীৰ দ্বিতীয় বিবাহ সহজসাধ্য নহয় সেইখন সমাজত অনন্যাই গ্ৰহণ কৰা সিদ্ধান্তই সবল মানসিকতাৰ পৰিচয় বহন কৰিছে। সামাজিক আৰু পাৰিবাৰিক ক্ষেত্ৰত বিভিন্ন জটিলতাৰ মাজতো যে এগৰাকী নাৰীয়ে সাহসী, সংস্কাৰমুক্ত দৃষ্টিৰে পুনৰ নতুনকৈ জীৱন যাপন কৰিব পাৰে সেয়া অনন্যাই নিজৰ কাৰ্যৰে দাঙি ধৰিছে।

*বৰদোৱানী* উপন্যাসত প্ৰথম অৱস্থাত পুণ্যধৰৰ দ্বিতীয় বিবাহৰ খবৰটোৱে বৰদোৱানীক ব্যথিত কৰি তুলিলেও পৰৱৰ্তী সময়ত তেওঁ সাহসেৰে থিয় হৈছিল। নিজকে পৰিস্থিতিৰ সৈতে খাপ খুৱাই লৈছিল। সমস্ত দুখ-কষ্ট বুকুত সামৰি পুণ্যধৰৰ দ্বিতীয় পত্নীক আৰু ল'ৰা-ছোৱালী দুটাক আদৰি লৈ সবল মানসিকতাৰ পৰিচয় দিছিল। উপন্যাসখনত যিকোনো পৰিস্থিতিকে মুক্ত-স্বাধীন চিন্তা আৰু কাৰ্যৰে নিজৰ আয়ত্বলৈ আনিব পৰা চৰিত্ৰটোৰ মানসিক উত্তৰণ ঘটিছে।

*যমুনা* উপন্যাসত স্বামী-পুত্ৰক অকালতে হেৰুৱাই যমুনাই জীৱনৰ প্ৰতি নিস্পৃহ হৈ পৰিছিল। কিন্তু পৰৱৰ্তী সময়ত চৰিত্ৰটোৰ আত্মহত্যাৰ প্ৰৱণতাৰ ঠাইত জীয়াই থকাৰ প্ৰৱণতা গঢ় লৈ উঠিছিল। স্বামী-পুত্ৰৰ স্মৃতিৰ মাজতেই বিলীন হৈ থকা যমুনাই জীৱন জীয়াৰ সম্বলৰ সন্ধান নিজেই কৰি লৈছিল। জন্মৰ সময়তেই মাকৰ মৃত্যু হোৱা ৰঞ্জিত আৰু মালাৰ সন্তানটো যেতিয়া হস্পিতালত অৱহেলিত হৈ পৰি আছিল তেতিয়া যমুনাই সেই সন্তানটো গ্ৰহণ কৰি তাৰ সমস্ত দায়িত্ব লৈছিল। জীৱনত সংঘটিত হৈ যোৱা ঘটনাসমূহৰ বাবে জীৱনৰ প্ৰতিয়েই বিৰাগ ওপজাৰ পিছতো যমুনাই নতুনকৈ জীৱন জীয়াবলৈ লোৱা প্ৰচেষ্টাই চৰিত্ৰটোৰ মানসিক উত্তৰণ নিৰ্দেশ কৰিছে।

*মই ডেচডিম'না হ'ব খোজোঁ* উপন্যাসত নয়নাই নিজৰ অতীত জীৱন পোহৰলৈ অহাৰ আশংকাত নিজৰ মাজতেই আৱদ্ধ থকা চৰিত্ৰটো পৰৱৰ্তী সময়ত মানসিকভাৱে সবল হৈ উঠিছিল। অতীতৰ দিনবোৰত বিচৰণ কৰি থকা নয়নাৰ এক সুন্দৰ স্বাভাৱিক জীৱনৰ প্ৰতি হাবিয়াহ গঢ়ি উঠিছিল। অতীতৰ মাজত বিচৰণ কৰিব এৰি পাৰ্থৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ নয়না মানসিকভাৱে প্ৰস্তুত হৈছিল।

মাহীমাকৰ আচৰণৰ বাবেই সমগ্ৰ নাৰী জাতিৰ প্ৰতি বিৰূপ ধাৰণা বহন কৰি থকা *অনুৰোধ* উপন্যাসত ৰঘুপতি দাসে পৰৱৰ্তী সময়ত এই নিৰ্দিষ্ট গণ্ডীৰ বাহিৰ হ'বলৈ সক্ষম হৈছিল।পৃথিৱীৰ সকলো নাৰীয়েই যে একে নহয় সেইকথা অনুধাৱন কৰিব পাৰি ৰঘুপতি দাস বিবাহৰ বাবে মানসিকভাৱে প্ৰস্তুত হৈছিল। শৈশৱতে মাহীমাকৰপৰা লাভ কৰা নেতিবাচক অভিজ্ঞতাৰ বাবেই সকলো ফালৰেপৰা উপযুক্ত হৈও চল্লিশ বছৰলৈকে তেওঁ নাৰী তথা বিবাহৰ পৰা আঁতৰি আছিল। চৰিত্ৰটোৰ মানসিক উত্তৰণ ঘটাৰ বাবেই চৰিত্ৰটোৱে জীৱনটোক নতুনকৈ সজাবলৈ আগবাঢ়িছিল।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত প্ৰথম অৱস্থাত পাৰিবাৰিক সমস্যাসমূহ সমাধানৰ বাবে নিৰ্মলা উঠিপৰি লাগিছিল যদিও পুত্ৰ-বোৱাৰী, জীয়ৰীৰ দৃষ্টিত বাৰে বাৰে ভুল প্ৰমাণিত হ'বলৈ ধৰাত মানসিকভাৱে ভাগি পৰিছিল। পৰৱৰ্তী সময়ত চৰিত্ৰটোৱে পুত্ৰ-বোৱাৰী, জীয়াৰীক সুখী কৰি ৰখাৰ চিন্তা মনৰপৰা আঁতৰাই নিজক সুখী কৰি ৰখাৰ আয়োজন কৰিছিল। নিজৰ ভাল লগা কামত আত্মনিৱেশ কৰাৰ লগতে মানসিক শান্তি বিচাৰি বৃদ্ধাশ্ৰমৰ বাসিন্দা হৈছিল।

*বাঁহী* উপন্যাসত নয়নতৰাৰ মানসিক উত্তৰণৰ প্ৰকাশ ঘটিছে চৰিত্ৰটোৱে সমাজত নাৰীৰ স্থান সম্পৰ্কে উপলব্ধি কৰাৰ ক্ষেত্ৰত। দুখীয়া ঘৰৰ ছোৱালী নয়নতৰাই ধনী মৌজাদাৰৰ লগত বিয়াত বহি লাহ-বিলাহৰ জীৱন কটাব পাৰিছিল যদিও কোনোধৰণৰ সিদ্ধান্ত গ্ৰহণ বা প্ৰদান কৰাৰ স্বাধীনতা নয়নতৰাৰ নাছিল। কেৱল ঘৰ-সংসাৰ, সন্তান ডাঙৰ কৰা, স্বামীক শুশ্ৰূষা কৰাৰ মাজতেই যে নাৰীৰ জীৱন সীমাবদ্ধ সেইকথা নয়নতৰাই উপলব্ধি কৰি মানসিক যন্ত্ৰণাত ভুগিছিল। সমাজত পুৰুষৰ দ্বাৰা নাৰী অৱহেলিত হৈ থকাক লৈ চৰিত্ৰটোৰ অন্তৰ্দ্বন্দ্ব হৈছিল। উপন্যাসখনত নাৰী-পুৰুষৰ বৈষম্যৰ চিত্ৰখনক লৈ চৰিত্ৰটোৱে মানসিক অশান্তিত ভুগিছে এনেদৰে—" কিহৰ তিৰোতা মানুহ? মতা-তিৰোতা, এইবোৰ কি? সকলোইতো মানুহ। কি কষ্টত পৰি বেমাৰী মানুহ এটাই মাটি বন্ধকীত থ'বলৈ ওলাইছে, সেইকথা যদি তাইৰ হিয়াখনে উপলব্ধি কৰিব পাৰিছে, তেন্তে সেয়া মানুহ হোৱাৰ কাৰণতে। এই একেখিনি হিয়া নথকাজনেই মানুহ নহৈ মতা মানুহ হৈ টকা-সিকা গণিব ধৰে। কিয় এনে হয়?"[২৫] চৰিত্ৰটোৱে নিজৰ বাস্তৱিক স্থিতি সম্পৰ্কত সজাগ

হোৱাৰ লগতে সমাজ-ৰাজনৈতিক দিশবোৰো অনুধাৱন কৰিব পাৰিছে। যি সময়ত ঘৰৰ চাৰিবেৰৰ মাজতেই নাৰীৰ জীৱন সীমাবদ্ধ, সেই সময়ত নয়নতৰাৰ এনে ধৰণৰ মানসিক উত্তৰণ শলাগিবলগীয়া।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত সামাজিক নৈতিকতা আৰু মনস্তাত্ত্বিক জটিলতা তথা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজত সেঁতু নিৰ্মাণ কৰিছে। এই দুই মেৰুৰ মাজত নাৰীয়ে উত্তৰণৰ পথ বাছি লৈছে। উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ মাজেৰে ঔপন্যাসিকাই পাঠকলৈ এই বাৰ্তাটোৰে প্ৰেৰণ কৰিব বিচাৰিছে। সেয়েহে ঔপন্যাসিকাই প্ৰান্তীয় কিছুসংখ্যক চৰিত্ৰক মুখপত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। সামাজিক যিবোৰ তথাকথিত আচাৰ-আচৰণ সেইবোৰক অতিক্ৰম কৰি জীৱনৰ এটা নতুন দিশৰ অন্বেষণ কৰাৰ পথত চৰিত্ৰসমূহক আগবাঢ়ি যোৱাটো দেখুৱাইছে। ঔপন্যাসিকাই সমাজৰ স্পৰ্শকাতৰ শ্ৰেণীবোৰৰপৰা ওলোৱা চৰিত্ৰবোৰক লৈ সেইবোৰৰ উত্তৰণ দেখুৱাইছে। উপন্যাসসমূহত ঔপন্যাসিকাৰ মনস্তত্ত্ব, চৰিত্ৰৰ মনস্তত্ত্ব আৰু সামাজিক নৈতিকতা— এই তিনিটা প্ৰসংগৰ মাজত অন্বয় সৃষ্টি কৰাৰ চেষ্টা কৰা হৈছে। উপন্যাসসমূহত নাৰী মনস্তত্ত্বৰ অৱলোকন কৰাৰ লগতে নৈতিকতাৰ প্ৰসংগও উত্থাপন কৰিছে। এই দুই দৃষ্টিভংগীৰ মাজত নাৰীৰ মানসিক উত্তৰণ দেখুওৱা হৈছে। যিখন পৰম্পৰাগত সমাজত বিবাহ বিচ্ছেদ তথা বিবাহ বিচ্ছেদিত নাৰীৰ পুনৰ্বিবাহক সামাজিক মান্যতা প্ৰদান কৰা নহয় সেইখন সমাজৰে বিবাহ বিচ্ছেদিত অনন্যাই দ্বিতীয় বিবাহত বহিছে। নৈতিকতা তথা সামাজিক পৰম্পৰাৰ দোহাই দি নাৰীক যি অৱদমিত কৰি ৰখা হৈছে সেইবোৰৰ প্ৰতি নাৰী সজাগ হৈ উঠিছে। নাৰীয়েও নিজৰ মানসিক সন্তুষ্টিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি তাৰ পৰিপূৰ্তি সাধন কৰিবলৈ আগবাঢ়ি আহিছে।

**প্ৰসংগ টোকা ঃ**

১ প্ৰহ্লাদ কুমাৰ বৰুৱা। *উপন্যাস*। পৃঃ ২১

২ E.M.Forster. *Aspects Of The Novel*. পৃঃ ৭৩-৮১

৩ মণিকুন্তলা ভট্টাচাৰ্য। *বাঁহী*। পৃঃ ২৫

৪ মণিকুন্তলা ভট্টাচাৰ্য। *বন্ধ ঘৰৰ খিৰিকী* ।পৃঃ ৮

৫ মণিকুন্তলা ভট্টাচাৰ্য। *চামিয়ানা* ।পৃঃ ৮৮

৬ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী*। পৃঃ ৭৯

৭ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*। পৃঃ২১

৮ মণিকুন্তলা ভট্টাচাৰ্য। *মুক্তি*। পৃঃ ৪৬

৯ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১।

১০ মণিকুন্তলা ভট্টাচাৰ্য। *যমুনা*। পৃঃ ২২৬

১১ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী*।পৃঃ ১৯১, ১৯২

১২ মণিকুন্তলা ভট্টাচাৰ্য। *যমুনা*। পৃঃ ২৮০

১৩ "They are unable to cooperate with other people and the clash between their style of life and the real world results in abnormal behavior, which is manifested in neuroses and psychoses."– Duane P Schultz And Sydney Ellen Sydney. *Theories Of Personality*. পৃঃ ১১৫

১৪ মণিকুন্তলা ভট্টাচাৰ্য। *বন্ধ ঘৰৰ খিৰিকী* । পৃঃ ১৮১

১৫ মণিকুন্তলা ভট্টাচাৰ্য। *মুক্তি*।পৃঃ ৭৬

১৬ মণিকুন্তলা ভট্টাচাৰ্য। *অনুৰোধ*। পৃঃ ১৫০

১৭ মণিকুন্তলা ভট্টাচাৰ্য। *যমুনা*। পৃঃ ১৩১

১৮ ফুনু দাস শৰ্মা আৰু অন্যান্যসকল। *স্নাতক মহলাৰ শিক্ষা মনোবিজ্ঞান*। পৃঃ ৩৭

১৯ "In psychoanalytic treatment we are regularly called upon to fill out the infantile memory gaps, and in so far as the cure is to any degree succesful, we are able again to bring to ligh the content to the childhood years Thus clouded in forgethfulness"– Sigmund Freud. *A General Introduction To Psychoanalysis*. পৃঃ ১৭৫, ১৭৬

২০ ফুনু দাস শৰ্মা আৰু অন্যান্যসকল। *স্নাতক মহলাৰ শিক্ষা মনোবিজ্ঞান*। পৃঃ ৩৯

২১ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*। পৃঃ ১৭৩

২২ মণিকুন্তলা ভট্টাচাৰ্য। *বৰদোৱানী*। পৃঃ ১৫৮, ১৫৯

২৩ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী* ।পৃঃ ২৬

২৪ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*। পৃঃ ৩৯

২৫ মণিকুন্তলা ভট্টাচাৰ্য। *বাঁহী* । পৃঃ ৮০